www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

নিজৰ চিন্তাধাৰাক নিয়ন্ত্ৰণ কৰি ৰখাটোৱেই নৈতিক সংস্কৃতিৰ সৰ্বোচ্চ স্বৰূপ। — ডাৰউইন।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ২৫২ ❐ মঙলবাৰ ❐ ৯ ডিচেম্বৰ, ২০২৫ চন ❐ ২২ আঘোণ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 252 ❐ Tuesday ❐ 9th December, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

## আজিৰ কলম

### সুধাকণ্ঠৰ প্ৰতিমূৰ্তি আৰু অসম অৰুণাচলৰ সমন্বয়



বীৰ্কে বি থাপা

**অৰুণাচল** প্ৰদেশৰ ল'ৱাৰ দিবাং ভেলিৰ বলুং গাঁৱত প্ৰতিষ্ঠা কৰা হৈছে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ দহ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি। বিশিষ্ট ভাস্কৰ্য শিল্পী বীৰেণ সিংহই নিৰ্মাণ কৰা উক্ত প্ৰতিমূৰ্তিটো উদ্বোধন কৰিছিল অসম আৰু অৰুনাচলৰ তদানীন্তন মুখ্যমন্ত্ৰী ক্ৰমে সৰ্বানন্দ সোণোৱাল আৰু পেমা খাণ্ডুৱে।

অসম আৰু অৰুণাচল প্ৰদেশৰ সাংস্কৃতিক সমন্বয়ৰ প্ৰতীকস্বৰূপ এই প্ৰতিমূৰ্তিটোৰ সমীপতে আছে অৰুণাচল প্ৰদেশৰ প্ৰখ্যাত জননেতা, সমাজ সংস্কাৰক, বিশিষ্ট ৰাজনীতিবিদ প্ৰয়াত গ'ৰা পাৰ্টিনৰ বাংলো। গ'ৰা পাৰ্টিন আছিল অৰুণাচলৰ আদি জনগোষ্ঠীৰ ▸▸৬ পৃষ্ঠাত

যোগীঘোপাৰ পাচনীয়াত প্ৰশাসনৰ বুল'ডজাৰ

## বেদখলমুক্ত হ'ল গোমাঠৰ ভূমি উচ্ছেদিতৰ হাহাকাৰ




**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৮ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ পাচনীয়াত আজি বঙাইগাঁও জিলা প্ৰশাসনে এক উচ্ছেদ অভিযান চলায়। পাচনীয়াৰ গোমাঠৰ ভূমি বেদখল কৰি বসবাস কৰা লোকৰ ঘৰত প্ৰশাসনে বুল্ডজাৰ চলাই উচ্ছেদ অভিযান চলায়। জানিব পৰা মতে, পাচনীয়াৰ ৫৩৩ বিঘা ভূমিৰ প্ৰায় ৪৫ বিঘা ভূমি ১৬৪ পৰিয়ালে দীৰ্ঘদিন ধৰি বেদখল কৰি ঘৰ সাজি আছিল। বঙাইগাঁও জিলা প্ৰশাসনে বেদখলকাৰীক স্ব ইচ্ছাই আঁতৰি ▸▸৬ পৃষ্ঠাত

## তিনি শতাধিক শ্ৰমিক-কৰ্মচাৰী যোগনীয়াৰৰ মাজত হাহাকাৰ

### ছদিন ধৰি বন্ধ মৰাপাট কলৰ দ্বিতীয় গোটৰ কাম



**অসম বাৰ্তা, জাগুন, ৮ ডিচেম্বৰ ঃ** ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ অধীনৰ শিলঘাটস্থিত অসম মৰাপাট কল ধ্বংসৰ দিশে অগ্ৰসৰ হোৱাৰ তথ্য পোহৰলৈ আহিছে। আজি ছদিন ধৰি এই মৰাপাট কলৰ দ্বিতীয় গোটৰ কাম বন্ধ হৈ আছে। অভিযোগ অনুসৰি, ৰাজ্য চৰকাৰৰ - ভুল নীতি, পৰিচালনা মণ্ডলী সদস্যৰ মইমতালি তথা ক্ষমতাৰ অপব্যৱহাৰ, পৰিচালন সঞ্চালকৰ দুৰ্বল প্ৰশাসনীয় ব্যৱস্থাৰ ▸▸৬ পৃষ্ঠাত



### ৩০ কোটিৰ প্ৰতাৰণাৰ গোচৰত পত্নীসহ গ্ৰেপ্তাৰ চলচ্চিত্ৰ নিৰ্মাতা বিক্ৰম ভাটাক

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৮ ডিচেম্বৰ ঃ** বলীউডৰ পৰিচিত হৰৰ আৰু থ্ৰিলাৰ ছবিৰ নিৰ্মাতা বিক্ৰম ভাটক ৩০ কোটি টকাৰ ▸▸৬ পৃষ্ঠাত

# 'বন্দে মাতৰম'ৰ বিৰোধিতা কৰিছিল মুছলিম লীগে

■ বন্দে মাতৰম কেৱল এটা ৰাজনৈতিক শ্ল'গান নাছিল, ই আছিল ভাৰত মাতৃক ব্ৰিটিছ শৃংখলৰ পৰা মুক্ত কৰাৰ পবিত্ৰ যুদ্ধৰ যন্ত্ৰ ঃ মোদী ■



**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ ডিচেম্বৰ ঃ** 'বন্দে মাতৰম'ৰ ১৫০ বৰ্ষ পূৰ্তি উপলক্ষে লোকসভাত অনুষ্ঠিত বিশেষ আলোচনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছৰ ঐতিহাসিক ভূমিকাক কটাক্ষ কৰি কয় — "বন্দে মাতৰমৰ বিৰোধিতা কৰিছিল মুছলিম লীগে, আৰু কংগ্ৰেছে মুছলিম লীগৰ আগত শিৰনত হৈছিল।" প্ৰধানমন্ত্ৰীগৰাকীয়ে সদনত দীঘলীয়া ভাষণত 'বন্দে মাতৰম'ৰ ঐতিহাসিক যাত্ৰাৰ কথা স্মৰণ কৰি কয়, "এই ১৫০ বছৰীয়া যাত্ৰাত বহু মাইলৰ খুঁটি অতিক্ৰম হৈছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে, যেতিয়া ইয়াৰ ৫০ বছৰীয়া জয়ন্তী হৈছিল, তেতিয়া দেশ এতিয়াও ব্ৰিটিছ দাসত্বৰ শিকলিৰে বান্ধ খাই আছিল। আৰু ১০০ বছৰীয়া জয়ন্তীৰ সময়ত দেশ জৰুৰীকালীন অৱস্থাৰ ক'লা আঁধাৰত ডুব গৈ আছিল। সেই সময়ত দেশপ্ৰেমীসকলক কাৰাগাৰত বন্দী কৰি ৰখা হৈছিল।" তেওঁ লগতে কয়, "বন্দে মাতৰম কেৱল এটা ৰাজনৈতিক শ-'গান নাছিল, ই আছিল ভাৰত মাতৃক ব্ৰিটিছ শৃংখলৰ পৰা মুক্ত কৰাৰ পবিত্ৰ যুদ্ধৰ মন্ত্ৰ। বংগভংগৰ বিৰুদ্ধে যেতিয়া ইংৰাজে ভাৰতক টুকুৰা-টুকুৰ কৰিব বিচাৰিছিল, তেতিয়া বন্দে মাতৰমৰ ধ্বনিয়ে ব্ৰিটিছ সাম্ৰাজ্যক কঁপাই তুলিছিল। বন্দে মাতৰম গোৱাটোক নিষিদ্ধ কৰা হৈছিল, গোৱাৰ অপৰাধত ফাঁচী দিয়া ▸▸৬ পৃষ্ঠাত

## "ৰৈ ৰৈ বিনালে"ৰ পাইৰেচীৰ গোচৰত চিআইডিৰ জালত তিনি অভিযুক্ত



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** জুবিন গাৰ্গ অভিনীত আৰু পৰিচালিত অসমীয়া ছবি "ৰৈ ৰৈ বিনালে"ৰ পাইৰেচীৰ গোচৰত অসম আৰক্ষীৰ চি আই ডিৰ চাইবাৰ শাখাই তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। এই গোচৰটো চি আই ডি ▸▸৬ পৃষ্ঠাত

বিগ বছ ১৯ৰট্ৰফী দখল গৌৰৱ খান্নাৰ


## 'অনুপমা'ৰ জনপ্ৰিয় তাৰকা হৈ পৰিল বিগ বছৰ নতুন চেম্পিয়ন



**অনলাইন ডেস্ক, অসম বাৰ্তা, ৮ ডিচেম্বৰ ঃ** ৰোমাঞ্চৰে ভৰা গ্ৰেণ্ড ফিনালেৰ পিছত বলীউডৰ মেগাষ্টাৰ ছলমান খানৰ আয়োজিত 'বিগ বছ ছিজন ১৯'ৰ বিজয়ী হিচাপে ▸▸৬ পৃষ্ঠাত

## পশ্চিমবংগ নিৰ্বাচনক লক্ষ্য কৰি ৰাজনৈতিক অস্ত্ৰ বনোৱাৰ অভিযোগ প্ৰিয়ংকা গান্ধীৰ

## 'বন্দে মাতৰম'ক লৈ সংসদত তীব্ৰ বিতৰ্ক



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ ডিচেম্বৰ ঃ** লোকসভাত সোমবাৰে বন্দে মাতৰমক লৈ হোৱা আলোচনাক কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা তথা ৱায়ানাড়ৰ সাংসদ প্ৰিয়ংকা গান্ধী বঢ়ৰায়ে তীব্ৰ সমালোচনা কৰিছে। তেওঁৰ মতে, এই আলোচনাৰ ▸▸৬ পৃষ্ঠাত

লিডুত ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা



## দুখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে ভস্মীভূত

**অসম বাৰ্তা বিশেষ, জাগুন, ৮ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ লিডু আৰক্ষী চকীৰ এলেকাধিন লিডু বজাৰত আজি পুৱতি নিশা এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডৰ ▸▸৬ পৃষ্ঠাত

## সাংসদ গৌৰৱ গগৈৰ লোকসভাত প্ৰধানমন্ত্ৰীক তীব্ৰ প্ৰত্যুত্তৰ

### "আপুনি যিমানেই চেষ্টা নকৰক নেহৰু, কংগ্ৰেছৰ অৱদানৰ এটা বিন্দুও কলংক লগাব নোৱাৰিব"



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ ডিচেম্বৰ ঃ** সোমবাৰে লোকসভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সোঁৱৰাই দিলে যোৰহাটৰ কংগ্ৰেছ সাংসদ তথা উপ-নেতা গৌৰৱ গগৈয়ে। বিজেপি আৰু প্ৰধানমন্ত্ৰীয়ে ▸▸৬ পৃষ্ঠাত

কলাক্ষেত্ৰত বাণীকান্ত কাকতি মেধা বঁটা প্ৰদান

## ছাত্ৰসকলৰ বাবে মাহিলি জলপানি আঁচনি ঘোষণা মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী,** ৮ ডিচেম্বৰ: নৱবৰ্ষৰ প্ৰথম দিনটোতে ৰাজ্যৰ ছাত্ৰসমাজৰ বাবে এক সুখবৰ লৈ আহিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। অহা ১ জানুৱাৰীৰ পৰা দৰিদ্ৰ আৰু নিম্ন-মধ্যবিত্ত পৰিয়ালৰ ছাত্ৰসকলৰ বাবে আৰম্ভ হ'ব "মাহিলি জলপানি" নামৰ এক নতুন আঁচনি। এই আঁচনিৰ ▸▸৬ পৃষ্ঠাত


লিডুৰ ব্যক্তিগত ইটা ভাটাত নিয়োজিত বিহাৰৰ ৭ শ্ৰমিকক নিৰ্যাতন

## বিহাৰৰ গাওঁবুঢ়া সন্থাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিহাৰৰ মুখ্যমন্ত্ৰীক স্মাৰক পত্ৰ



**অসম বাৰ্তা বিশেষ, জাগুন, ৮ ডিচেম্বৰ ঃ** লিডুৰ বিতৰ্কিত ব্যৱসায়ী কুশল সিঙে কোমচাই স্থিত তেওঁৰ ব্যক্তিগত ইটা ভাটাত কাম কৰিবলৈ বিহাৰৰ পৰা আমদানি কৰি অনা ৭ শ্ৰমিকক শাৰীৰিক আৰু মানসিক ভাৱে হাৰাশাস্তি কৰি অহাৰ অভিযোগৰ বিৰুদ্ধে বিহাৰৰ গাওঁবুঢ়া সন্থাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰক এক অভিযোগ পত্ৰ প্ৰদান কৰে। অভিযোগ অনুসৰি বিহাৰৰ চাপাৰা জিলাৰ সঞ্জীৰ মাহাতো নামৰ এজন ব্যক্তিয়ে ১৯জন শ্ৰমিকক তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত কুমচাই গাঁৱত অৱস্থিত কুশল সিং স্বত্বাধিকাৰী কে বি আই নামৰ ইটা ভাটালৈ কাম কৰিবৰ বাবে ▸▸৬ পৃষ্ঠাত

## যোগীঘোপাৰ বোৱালীমাৰীৰ চম্পাৱতী নৈত পৰিল বলেৰ' বাহন ঃ নিহত এক, সন্ধানহীন এক



**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৮ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ থানাৰ অধীনস্থ মাজেৰ আলগা নদী আৰক্ষী চকীৰ অন্তৰ্গত ঔডুবীৰ বোৱালীমাৰীত যোৱা নিশা প্ৰায় ▸▸৬ পৃষ্ঠাত

## কংগ্ৰেছৰ নৈতিক স্খলন ঘটিছে ঃ মুখ্যমন্ত্ৰী




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ এক বিতৰ্কিত মন্তব্যৰ পিছত কংগ্ৰেছ দলক লক্ষ্য কৰি ক্ষোভ উজাৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব ▸▸৬ পৃষ্ঠাত

## কামৰূপ জিলাত মন্ত্ৰী কৃষ্ণেন্দু পালৰ পৰ্যালোচনা বৈঠক

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৮ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ আমিনগাঁৱস্থিত লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন বঙলাৰ সভাকক্ষত ৰাজ্য চৰকাৰৰ মীন, পশুপালন আৰু পশুচিকিৎসা, লোক নিৰ্মাণ (পথ) আদি বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে সোমবাৰে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰী গৰাকীয়ে ▸▸৬ পৃষ্ঠাত

# হৰ্ণবিল মহোৎসৱলৈ পৰ্যটকৰ ঢল



প্ৰথম সাত দিনতে আহিল ১.৩৮ লাখৰো অধিক দৰ্শনাৰ্থী

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ ডিচেম্বৰ ঃ** নাগালেণ্ডৰ ঐতিহ্যপূৰ্ণ কিছামা হেৰিটেজ গাঁৱত অনুষ্ঠিত হৈ থকা ২৬ সংখ্যক হৰ্নবিল মহোৎসৱে এইবাৰো পৰ্যটকৰ মন জয় কৰিবলৈ সক্ষম হৈছে। ১ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা এই বৰ্ণাঢ্য সাংস্কৃতিক উৎসৱত উত্তৰ-পূৱৰ আঠখন ৰাজ্যৰ চহকী লোককলা, পৰম্পৰাগত নৃত্য-গীত আৰু হস্তশিল্পৰ এক বিৰল প্ৰদৰ্শনীয়ে দৰ্শকক মুগ্ধ কৰি তুলিছে। প্ৰথম সপ্তাহতে এই মহোৎসৱলৈ ১,৩৮,৫৯০ গৰাকী দৰ্শনাৰ্থীৰ সমাগম ঘটিছে বুলি নাগালেণ্ড ▸▸৬ পৃষ্ঠাত



# নাহৰকটীয়াত ডাম্পাৰ দৌৰাত্ম্য; খুন্দাত মহিলাৰ থিতাতে মৃত্যু

**অসম বাৰ্তা, নাহৰকটীয়া, ৬ ডিচেম্বৰ ঃ** নাহৰকটীয়াত বৃহস্পতিবাৰে আবেলি এক শোকাবহ পথ দুৰ্ঘটনাত এগৰাকী মহিলাৰ মৃত্যু হয়। জানিব পৰা মতে চাচনিৰ পৰা এখন স্কুটিৰে দিপ্তী চেতিয়া নামৰ এগৰাকী মহিলা পৰিয়ালৰ লোকৰ সৈতে দুলিয়াজান অভিমুখে গৈ থকা অৱস্থাত টিপলিং বাহধাৰি গাঁৱৰ সমীপত মহিলা গৰাকী হঠাৎ স্কুটিৰ পৰা পথৰ ওপৰত পৰি যায় আৰু পিছে পিছে তীব্ৰ গতিত আহি থকা AR-11-C-0711 নম্বৰৰ অৰুণাচল প্ৰদেশৰ পঞ্জীয়নভুক্ত এখন ডাম্পাৰে মহিলা গৰাকীক মহতিয়াই লৈ যোৱাৰ ফলত মহিলা গৰাকীৰ ঠিতাতে নিহত হয়। ডাম্পাৰখন আচিফা বেগম নামৰ এগৰাকী মহিলাৰ নামত থকা বুলি জানিব পৰাৰ লগতে ডাম্পাৰখন নাহৰকটীয়াৰ য়াকুব খান নামৰ এজন ব্যৱসায়ীয়ে নিজৰ ইটা ভাটা আৰু বালি কঢ়িওৱা কামত ব্যৱহাৰ কৰি আছিল। স্থানীয় ৰাইজে ঘটনা সম্পৰ্কে নাহৰকটীয়া আৰক্ষীক অৱগত কৰাত আৰক্ষী ঘটনা স্থলীত উপস্থিত হয় আৰু মৃতদেহটো উদ্ধাৰ কৰাৰ লগতে ঘটনা সংঘটিত কৰি পলায়ন কৰা ডাম্পাৰখন স্থানীয় ৰাইজৰ সহযোগত আৰক্ষীয়ে কিছু সময়ৰ পিছতে জব্দ কৰিবলৈ সক্ষম হয়। নিহত মহিলা গৰাকী চাচনী দীঘলীয়া গাঁৱৰ নিবাসী দিপ্তী চেতিয়া বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে নাহৰকটীয়া আৰক্ষীক এক গোচৰ ৰুজু কৰিছে। আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে। উল্লেখ্য, নাহৰকটীয়া নগৰতো ক্ৰমাৎ তীব্ৰ বেগী ডাম্পাৰ দৌৰাত্ম্য বৃদ্ধি পাইছে যদিও স্থানীয় আৰক্ষী তথা প্ৰশাসনে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হোৱা নাই।

# ব্যৱসায়ীসকলৰ কল্যাণৰ বাবে বালিচাপৰি ব্যৱসায়ী সন্থাৰ উদ্যোগত নাম কীৰ্তন, ভাগৱত পাঠ আৰু ভাওনা প্ৰদৰ্শনৰ ব্যৱস্থা

**অসম বাৰ্তা, উজনী মাজুলী, ৬ ডিচেম্বৰ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ বালিচাপৰিৰ ব্যৱসায়ী সন্থাৰ উদ্যোগত অহা ৭' ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে এক আধ্যাত্মিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বালিচাপৰিৰ ব্যৱসায়ীসকলৰ কল্যাণৰ বাবে সেইদিনা বালিচাপৰি তিনিআলিত দিনজোৰা আধ্যাত্মিক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। সেইদিনা বালিচাপৰিৰ ব্যৱসায়ী সকলে পুৱা পৰিৱেশ নিকাকৰণৰ পাছত আঞ্চলিক ৰাইজৰ সহযোগত নাম কীৰ্তন পৰিৱেশন কৰিব। তাৰপিছত ভাগৱত প্ৰতিষ্ঠা আৰু সন্ধিয়ালৈকে ভাগৱত পাঠ অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া আঠ বজাৰ পৰা মাজুলীৰ "সিন্ধুৰা শিল্পী সমাজ"ৰ দ্বাৰা" বিপ্ৰ দামোদৰ আখ্যান দন্তবক্ৰৰ মুক্তি লাভ" ভাওনা প্ৰদৰ্শন কৰা হ'ব। উক্ত, আধ্যাত্মিক অনুষ্ঠান উপলক্ষে ইতিমধ্যে বালিচাপৰিৰ ব্যৱসায়ী সন্থাই ব্যাপক প্ৰস্তুতি চলাই আছে। ইতিমধ্যে, বালিচাপৰি ব্যৱসায়ী সন্থাই বালিচাপৰিৰ তিনিআলিত বৃহৎ মণ্ডপ নিৰ্মাণ কৰি উলিয়াইছে। উল্লেখযোগ্য যে বালিচাপৰি তিনিআলিত অলপতে অগ্নি কাণ্ড সংঘটিত হৈ বহুতো ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত হৈছিল আৰু যোৱা ২ নৱেম্বৰত বালিচাপৰি তিনিআলিত চলন্ত অৱস্থাত ৰাজপথতে এখন নতুন টাটা জেষ্ট গাড়ী জ্বলি ভস্মীভূত হৈছিল। বালিচাপৰি তিনিআলিৰ ব্যৱসায়ীসকলৰ কল্যাণৰ বাবে আয়োজন কৰা উক্ত আধ্যাত্মিক অনুষ্ঠানত ৰাইজৰ সহায়-সহযোগ, উপস্থিতি ব্যৱসায়ী সন্থাৰ সভাপতি বীৰেন ভূঞা আৰু সম্পাদক মদন বৰাই কামনা কৰিছে।

# দেৰগাঁৱত বাগিচাৰ বাসগৃহৰ ভূমি জৰীপ কাৰ্যৰ শুভাৰম্ভ

**অসম বাৰ্তা, দেৰগাঁও, ৬ ডিচেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা মতে অসম চৰকাৰে ৰাজ্যখনৰ প্ৰায় ৮২৫খন চাহ বাগিচাৰ প্ৰায় ৩ লাখ ৩৩ হাজাৰ চাহ শ্ৰমিক, চাহ জনগোষ্ঠী, আদিবাসী পৰিয়ালক ভূমিপট্টা প্ৰদানৰ জৰিয়তে ভূমিৰ অধিকাৰ দিবলৈ এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই সিদ্ধান্ত অনুসৰি, ইতিমধ্যে অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে জৰীপ আৰম্ভ কৰিছে। অসম চাহ নিগম লিমিটেডৰ অধীনৰ দেৰগাঁও সম-জিলাৰ অন্তৰ্গত নেঘেৰিটিং চাহ বাগিচাত মডেল হিচাপে লৈ আজি দেৰগাঁও সম-জিলাৰ নেঘেৰিটিং চাহ বাগিচাৰ লাইনৰ বাসগৃহৰ ভূমি জৰীপ কাৰ্যসূচী নেঘেৰিটিং চাহ বাগিচাৰ সহ পৰিচালক উমা শংকৰ কুৰ্মিৰ উপস্থিতিত শুভাৰম্ভকৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত উদ্বোধনী ভাষণ আগবঢ়ায় আটছা দেৰগাঁও শাখাৰ সভাপতি দয়াৰাম ৰবিদাসে। অনুষ্ঠানত আটছা গোলাঘাট জিলা সমিতিৰ উপ-সভাপতি ৰাজীৱ চাহু, ক্ৰীড়া সম্পাদক জীৱন মিৰ্ধা, দেৰগাঁও শাখাৰ কাৰ্যালয় সম্পাদক ভাইটি ৰবিদাস, নেঘেৰিটিং উপ-শাখাৰ সভাপতি সুনীল দুচাদ, নেঘেৰিটিং চাহ সভাপতি-সম্পাদক ৰাজকুমাৰ পাচি, সম্পাদক পুৰুষোত্তম ঘাটোৱাৰ, বিপিন দুচাদ, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰুস্তম আলী, চৰকাৰী গাঁওবুঢ়া গান্ধী ৰবিদাসসহ দেৰগাঁও ৰাজহ চক্ৰৰ বিষয়ববীয়াৰ উপস্থিতিত জৰীপ কাৰ্যৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়।

# নাজিৰাত বঠাৰ উদ্যোগত বিশেষভাৱে সক্ষম দিৱস উদ্‌যাপন

**অসম বাৰ্তা, গেলেকী, ৫ ডিচেম্বৰ ঃ** সামাজিক অনুষ্ঠান বঠাৰ উদ্যোগত নাজিৰা সমজিলাবাসী ৰাইজৰ সহযোগত বিশেষভাৱে সক্ষম দিৱসটি দিনযোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। পুৱা বঠাৰ সভাপতি প্ৰণৱ গগৈয়ে পতাকা উত্তোলনৰ পাছতেই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে মায়াবিনী ৰাতিৰ বুকুত গীত সকলোৱে সমস্বৰে পৰিৱেশ কৰে। ইয়াৰ পিছতেই বঠাৰ তত্ত্বাধায়ক ফটিক বৰুৱাই আঁতধৰা নাজিৰা আঞ্চলিক সাহিত্য সভাৰ সভাপতি ৰুহিত বৰুৱাৰ সভাপতিত্বত আয়োজিত মুকলি সভাত নাজিৰা সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া বাৰ্ণিতা মিথিহাৰী, সমাজকৰ্মী মৃদুল মহন্ত, ৰিবুলয়া গগৈ, মামু পাটৰ, মৃণালী বৰুৱা, শিক্ষাবিদ ৰাজেন শৰ্মা, মঞ্জু ঘৰফলীয়া বড়া, গোপাল বৰুৱাকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি বক্তব্য আগবঢ়াই। অনুষ্ঠানৰ মাজতেই নাজিৰা জভিয়েল ভেলিৰ চিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ শিক্ষাৰ্থীসকলে গীত, নৃত্য প্ৰদৰ্শন কৰাৰ লগতে সংগীত শিল্পী দিলীপ দাস, বিৰাজ ফুকন, আলোক কছাৰী, বিশেষভাৱে সক্ষম শিল্পী পাখি শইকীয়া, গংগাধৰ হীৰা, গীত পৰিৱেশন আৰু ঝুমুৰ নৃত্য দলে ঝুমুৰ প্ৰদৰ্শন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানতেই অৰুণ গগৈক শ্ৰাৱণ মেছিন আৰু নিৰু বৰুৱাক লাখুটী প্ৰদান কৰে লগতে সদ্য অৱসৰপ্ৰাপ্ত সেনা বিষয়া পৰেশ বৰপাত্ৰ গোঁহাই, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিপুল চন্দ্ৰ সন্দিকৈক ৰাজহুৱা সম্বৰ্দ্ধনা জনাই। দিৱসটিৰ লগত সংগতি ৰাখি আয়োজন কৰা সাহিত্য প্ৰতিযোগিতাৰ বঁটা বিতৰণৰ পিছতেই অনুষ্ঠানটো সামৰণি পৰে।

# ডবকা জামিয়া ইছলামীয়া ইশ্বাআতুল মাদ্ৰাছাত ধৰ্মীয় সভাৰ আয়োজন

**অসম বাৰ্তা, ডবকা, ৬ ডিচেম্বৰ ঃ** হোজাই জিলাৰ ডবকা পথাৰ মদাৰতলি মিকিৰগাঁও জামিয়া ইছলামীয়া ইশ্বাআতুল মাদ্ৰাছা প্ৰাঙ্গণত অহা ১০ ডিচেম্বৰ ২০২৫ তাৰিখে সমগ্ৰ অঞ্চল সামৰি ১৬তম বাৰ্ষিক আজিমুশ্বান দস্তাৰ্বন্দী ওৱাজ ও দোৱা মহফিলৰ লগতে ড্ৰাগছ মুক্ত সমাজ গঢ়াৰ সন্দৰ্ভত এক সজাগতাৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত অংশ গ্ৰহণ কৰিব প্ৰধান অতিথি উত্তৰ পূৰ-ভাৰতৰ আমিৰে শ্বৰিয়ত, আমন্ত্ৰিত অতিথি আলহাজ বদৰ উদ্দিন আজমল আল কাছিমী প্ৰাক্তন সাংসদ ও সভাপতি জমিয়ত উলামা হিন্দ অসম ও বিশিষ্ট ইছলামিক চিন্তাবিদ পিৰে কামিল আলহাজ শেখ হজৰত মৌলানা ইয়াহিয়া আহমদ, শ্বেখুল হাদিছ, শ্বাইখুল জামিয়া দাৰুল উলুম বাশ্বকান্দি মাদ্ৰাস্থা, মুখ্য অতিথি হিচাপে উপস্থিত থাকিব মুফাক্কিৰে কোৰআন আলহাজ হজৰত মৌলানা মুস্তাক আনফৰ, আলহাজ হজৰত মৌলানা আব্দুল কাদিৰ কাছিমী, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব আলহাজ হজৰত মৌলানা মুফতি মুজাহিদুল ইছলাম কাছিমী, অসমৰ জনপ্ৰিয় বক্তা হজৰত মৌলানা জাবিৰ হুছেইন, আলহাজ হজৰত মৌলানা ক্বাৰী আব্দুল মতিন, হজৰত মৌলানা ৰফিক উদ্দিন কাছিমী, আলহাজ শেখ হজৰত মৌলানা আকিল আলী বৰভূঞা, এই আজিমুশ্বান দস্তাৰ্বন্দী ওৱাজ ও দোৱা মহফিলত উপস্থিত থাকিবলৈ সকলোকে আয়োজক কমিটিৰ হৈ সভাপতি আব্দুল খালিক আৰু সম্পাদক মৌলানা মস্তাফা আহমদে আহ্বান জনাইছে।

# নাজিৰা সম-জিলাত শ্বহীদ দিৱস সন্দৰ্ভত বৈঠক

**অসম বাৰ্তা, গেলেকী, নামতি, ৬ ডিচেম্বৰ ঃ** অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে অহা ১০ ডিচেম্বৰত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰত "শ্বহীদ দিৱস"ৰ কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰিছে। ইয়াৰ সমান্তৰালকৈ ৰাজ্যৰ জিলা সদৰ আৰু সম-জিলা সমূহতো ১০ ডিচেম্বৰ তাৰিখে উক্ত দিৱসটি পালন কৰা হ'ব। শ্বহীদ দিৱস আয়োজনৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সহকাৰী আয়ুক্ত অৰুণাভ সোণোৱালৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত নাজিৰা সমজিলাত আগন্তুক শ্বহীদ দিৱসৰ আয়োজন, সামগ্ৰিক ব্যৱস্থাপনা তথা পৰিচালনা আৰু স্থানীয় শিল্পী আৰু জনসাধাৰণৰ অংশগ্ৰহণ আদি বিষয় সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। উল্লেখ্য যে, শ্বহীদ দিৱসৰ সমজিলা ভিত্তিক কাৰ্যসূচী নাজিৰা মহাবিদ্যালয় খেলপথাৰত কৰা হ'ব। উক্ত অনুষ্ঠানটিত ৪০০০ অংশগ্ৰহণকাৰীয়ে মানৱ শৃংখল ৰচি "শ্বহীদ প্ৰণমো তোমাক" শীৰ্ষক গীতটি পৰিৱেশন কৰিব। আনহাতে, অনুষ্ঠানত অংশগ্ৰহণৰ বাবে সমজিলাখনৰ শ্বহীদসকলৰ পৰিয়ালবৰ্গকো আমন্ত্ৰণ জনোৱা হ'ব। গুৱাহাটীত অনুষ্ঠিত কেন্দ্ৰীয় অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰৰো ব্যৱস্থা কৰা হব। শ্বহীদ দিৱসৰ সফল আয়োজনৰ বাবে সহকাৰী আয়ুক্ত গৰাকীয়ে সংশি-ষ্ট বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু সমজিলাবাসী ৰাইজৰ পূৰ্ণ সহযোগিতা কামনা কৰিছে।

# সৃজনগ্ৰাম শিক্ষাখণ্ড ভিত্তিত দুদিনীয়া বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰশিক্ষণ শিবিৰৰ আয়োজন

**অসম বাৰ্তা, অভয়াপুৰী, ৬ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ড ভিত্তিত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ ৪ আৰু ৫ ডিচেম্বৰত অভয়াপুৰী বাপুজী হাইস্কুল প্ৰাঙ্গনত দুই দিনীয়া কাৰ্যসূচীৰে প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিক অধিক গুৰুত্ব, কৰ্তব্য মুখী আৰু দায়িত্বশীল হিচাপে গঢ়ি তুলিবলৈ অনুষ্ঠিত কৰা প্ৰশিক্ষণ শিবিৰটো আৰম্ভণিৰ দিনা শুভাৰম্ভ কৰে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱজিৎ বায়নে। প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে ক্ৰমে ড° ছিৰখাত হুছেইন, শ্বেখ আশ্ৰাফুল ইছলাম, ভূপেন ৰায়। শিক্ষা খণ্ডটোৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ অৰ্ধ শতাধিক অধ্যক্ষ, প্ৰধান শিক্ষক, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি, সদস্য সকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা প্ৰশিক্ষণ শিবিৰত বিভিন্ন সমস্যা, দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত মত বিনিময় কৰা হয়। প্ৰশিক্ষণ শিবিৰত শিক্ষা বিষয়া নৱজিৎ বায়ন, প্ৰশিক্ষক ক্ৰমে - ড° ছিৰখাত হুছেইন, শ্বেখ আশ্ৰাফুল ইছলাম আৰু ভূপেন ৰায়ৰ তথ্য গধুৰ আৰু সাৱলীল প্ৰশিক্ষণে সকলোক হাতে কামে বিদ্যালয় পৰিচালনাৰ বিভিন্ন কৌশল প্ৰদান কৰে।

বাছআস্থানত ৰক্তাক্ত অৱস্থাত উদ্ধাৰ মৃতদেহ; আৰক্ষীৰ তদন্ত অব্যাহত

# উদয়পুৰত যুৱকৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা বিশেষ, জাগুন, ৬ ডিচেম্বৰ ঃ** মাৰ্ঘেৰিটা সম জিলাৰ লেখাপানী আৰক্ষী থানাৰ অৰ্ন্তগত উদয়পুৰত আজি পুৱাই উদ্ধাৰ হয় এটি মৃতদেহ। উদয়পুৰৰ ৰাজহুৱা বাছ আস্থানত ৰক্তাক্ত হৈ পৰি থকা অৱস্থাত উদ্ধাৰ হয় মৃতদেহটো। মৃতদেহটো লেখাপানী আৰক্ষী থানাৰ অন্তৰ্গত ২ নং লংটং চাম পথাৰৰ অশোক মিৰাজ বুলি চিনাক্ত কৰা হৈছে। মৃত যুৱক জনৰ পৰিয়ালৰ ভাষ্য অনুসৰি শুক্ৰবাৰে বিয়লি ভাগতে জাগুনৰ ৰামপুৰ ছয় মাইলত অনুষ্ঠিত হৈ থকা ফুটবল প্ৰতিযোগিতাৰ খেল চাবলৈ বুলি ঘৰৰ পৰা উলাই আহিছিল যুৱকজন। উল্লেখ্য যে আজি পুৱা প্ৰাতভ্ৰমণ কৰিবলৈ অহা লোকে যুৱকজনক মৃত অৱস্থাত পৰি থকা প্ৰত্যক্ষ কৰে আৰু লগে লগেই বিষয় সন্দৰ্ভত আৰক্ষীক অৱগত কৰে। যুৱকজন দুৰ্ঘটনাত পতিত হোৱাৰ পাছত কোনো লোকে আনি বাছ আস্থানত গোপনে এৰি থৈ যোৱা বুলি সন্দেহ প্ৰকাশ কৰি অঞ্চলজুৰি চৰ্চা চলি থকা পৰিলক্ষিত হৈছে যদিও ঘটনাটো প্ৰকৃততে হত্যা নে দুৰ্ঘটনা ইয়াৰ প্ৰকৃত সত্য বৰ্তমানলৈ পোহৰলৈ অহা নাই। সমগ্ৰ ঘটনাকলৈ ঘটনাস্থলিত লেখাপানী আৰক্ষী উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়াস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

# বাসগৃহৰ কোঠাৰ ভিতৰতে জাপানিজ কুৱেল চৰাই পালনেৰে স্বাৱলম্বনৰ পথ বাছি ল'লে ৰফিকুলে

**অসম বাৰ্তা, বটদ্ৰৱা, ৬ ডিচেম্বৰ ঃ** কুৱেল চৰাই পালনৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিছে জাপানী পদ্ধতিয়ে। অতি কম ঠাইত, কম মূলধন আৰু নিম্নতম শ্ৰমৰ জৰিয়তে জাপানী কুৱেল চৰাই পালনেৰে অধিক উপাৰ্জনৰ পথ প্ৰশস্ত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে জাপানিজ পদ্ধতিয়ে। বাসগৃহৰ কোঠাৰ ভিতৰতো জাপানি কুৱেল চৰাই পালন কৰি স্বাৱলম্বনৰ পথত অগ্ৰসৰ হ'ব পাৰিব সকলোৱে। জাপানী পদ্ধতিত জাপানী কুৱেল চৰাই পালনেৰে নিবনুৱা যুৱকলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে ধিঙৰ এজন যুৱকে। ধিঙৰ লালিপথাৰ নিবাসী প্ৰয়াত মন্নাছ আলীৰ পুত্ৰ ৰফিকুল ইছলাম নামৰ শিক্ষিত যুৱক জনে নিজা বাসগৃহৰ চাৰিটা কোঠাৰ ভিতৰতে জাপানি পদ্ধতিৰে পালন কৰিছে কুৱেল চৰাই। অসমৰ বাহিৰত কুৱেল চৰাই পালন পদ্ধতি প্ৰশিক্ষণ গ্ৰহণ কৰা ৰফিকুল ইছলামে নিজা বাসগৃহত সংলগ্ন থকা চাৰিটা কোঠাত জাপানী কুৱেল চৰাই পৰীক্ষামূলক ভাৱে পালন কৰি সফলতা দিশে অগ্ৰসৰ হ'ব লৈ সক্ষম হৈছে। মাত্ৰ ৩০ হেজাৰ টকাৰ মুলধনেৰে আৰম্ভ কৰিব পৰা উক্ত কুৱেল চলাই বজাৰত এৰি দিব পাৰিব ১ মাহৰ পাছতে। তদুপৰি জাপানী পদ্ধতিৰে কুৱেল চৰাই পালনৰ ক্ষেত্ৰত এজন কুৱেল চৰাই পালকে ২৪ ঘণ্টাৰ ভিতৰত মাত্ৰ ২ ঘণ্টা সময় শ্ৰমদান কৰিলেই লাভান্বিত হ'ব পাৰি উক্ত ব্যৱসায়ৰ জৰিয়তে। ৰফিকুল ইছলামে ৫ বছৰ পুৰ্বৰে পৰা আৰম্ভ কৰা জাপানী পদ্ধতি কুৱেল চৰাই পালনক লৈ যথেষ্ট আশাবাদী। ৰফিকুল ইছলামে নিবনুৱা যুৱক-যুৱতী সকলক চাকৰিৰ পিছে নুঘূৰি এই কুৱেল চৰাইৰ ব্যৱসায় কৰি নিজে স্বাৱলম্বী হোৱাৰ লগতে আনকো পথ দেখুৱাবলৈ আহ্বান জনায়।

# সদৌ অসম মাধ্যমিক স্নাতক শিক্ষক মঞ্চৰ শোণিতপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক সম্পন্ন

**অসম বাৰ্তা, তেজপুৰ সদৰ, ৬ ডিচেম্বৰ ঃ** যোৱা ২৬ নৱেম্বৰ তাৰিখ শোণিতপুৰ জিলাৰ তেজপুৰ চহৰৰ নিকটৱৰ্তী দোলাবাৰীত অৱস্থিত জ্যোতি ষ্টাৰ একাডেমীত সদৌ অসম মাধ্যমিক স্নাতক শিক্ষক মঞ্চৰ শোণিতপুৰ জিলা সমিতিৰ সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সাধাৰণ সভাত বহু সমসাময়িক সমস্যা আৰু শিক্ষকৰ অধিকাৰ-সুবিধা সন্দৰ্ভত আলোচনা কৰা হয়। উক্ত বৈঠকত মূলতঃ মাধ্যমিক স্নাতক শিক্ষকসকলৰ পে-বেণ্ড উন্নীত কৰাৰ প্ৰস্তাৱ গৃহীত, পে-বেণ্ড উন্নীত কৰাৰ জৰিয়তে মাধ্যমিক স্নাতক শিক্ষকৰ দৰমহাৰ সুৰক্ষা আৰু অৰ্থনৈতিক স্থিৰতা নিশ্চিত হ'ব বুলি সভাই একমত হয়। ৩১ মাৰ্চ ২০১৬ চনৰ পিছত নিযুক্তি লাভ কৰা মাধ্যমিক স্নাতক শিক্ষকসকলৰ দৰমহাৰ বিসংগতি সংশোধন কৰি অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদন নিখুঁতভাৱে বাস্তৱায়নৰ প্ৰস্তাৱ গৃহীত, সংশোধন আৰু সঠিক দৰমহা স্থিৰকৰণৰ বাবে শিক্ষা বিভাগে শীঘ্ৰেই পদক্ষেপ গ্ৰহণ কৰিব লাগে বুলি সভাই দাবী জনায়। উক্ত সাধাৰণ সভাত ইফতিকাৰ আহমেদক সভাপতি হিচাপে লৈ শোণিতপুৰ জিলা সমিতি গঠন কৰা হয় বুলি শোণিতপুৰ জিলা সমিতিৰ সভাপতি ইফতিকাৰ আহমেদে জানিবলৈ দিয়ে।

# জিলা পৰ্যায়ত জিলিকিল সৃজনগ্ৰামৰ শিক্ষক শিক্ষণ শিকণ সঁজুলিৰ প্ৰতিযোগিতা

**অসম বাৰ্তা, অভয়াপুৰী, ৬ ডিচেম্বৰ ঃ** আজি বঙাইগাঁও জিলা সমগ্ৰ শিক্ষাৰ অধীনত বঙাইগাঁৱৰ প্ৰশান্তি ল'জ অনুষ্ঠিত হোৱা জিলা পৰ্যায়ৰ শিক্ষণ শিকণ সজুঁলিৰ প্ৰতিযোগিতাত উজলি উঠিল সৃজনগ্ৰামৰ শিক্ষক ক্ৰমে সংগীতা কলিতা, বৰ্ণালী ৰায় আৰু পৰিমল ৰাভা। জিলাখনৰ প্ৰতিখন বুনিয়াদী স্বাক্ষৰতা আৰু সাংখ্যিকতা (এফ এল এন) থকা বিদ্যালয়ৰ পৰা নিৰ্বাচিত প্ৰতিযোগীৰ মাজৰ পৰা খণ্ড পৰ্যায়ত প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পিছত আজি মাণিকপুৰ, বঙাইগাঁও, বইটামাৰী আৰু সৃজনগ্ৰাম শিক্ষাখণ্ডৰ পুৰস্কাৰ প্ৰাপ্ত শিক্ষক সকলোৰ মাজত এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ মুঠছটা পুৰস্কাৰৰ পৰা তিনিটা পুৰস্কাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডই লাভ কৰে। সাংখ্যিকতা শাখাত সংগীতা কলিতাই প্ৰথম, স্বাক্ষৰতা শাখাত বৰ্ণালী ৰায়ে দ্বিতীয় আৰু পৰিমল ৰাভাই তৃতীয় স্থান লাভ কৰে। সৃজনগ্ৰাম দলটোৰ নেতৃত্বত আছিল সমল ব্যক্তি ভূপেন চন্দ্ৰ ৰায়। আনহাতে মাণিকপুৰ শিক্ষাখণ্ডৰ ৰেহেনা খাতুনে স্বাক্ষৰতাত প্ৰথম, সাংখ্যিকতাত বিউটী দত্তই দ্বিতীয় আৰু হাফিজুৰ ৰহমানে তৃতীয় স্থান লাভ কৰে। বিক্ৰমশিলা বিশ্ববিদ্যালয়ৰ বনজিত শৰ্মা আৰু ইউনিচেফৰ ৰিণী তামোলীয়ে বিজয়ী-বিজেতা শিক্ষকক পুৰস্কাৰসমূহ বিতৰণ কৰে। সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱজিত বায়নে পুৰস্কাৰ লাভ কৰা সকলো শিক্ষকক শুভকামনা জ্ঞাপন কৰে।

বিশিষ্ট সমাজসেৱক, জেষ্ঠ অধিবক্তা, অৱসৰী অধ্যাপক উদ্ধৱ চন্দ্ৰ দাসক "আম্বেদকাৰ আদৰ্শ বঁটা- ২০২৫" বঁটা প্ৰদান

# বৰপেটাত অসম ভীম সেনা কেন্দ্ৰীয় সমিতিৰ উদ্যোগত ৭০ সংখ্যক বাবাচাহেব ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ মহাপ্ৰয়াণ দিৱস পালন

**অসম বাৰ্তা, বৰপেটা সদৰ, ৬ ডিচেম্বৰ ঃ** বাবাচাহেব ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ ৭০ সংখ্যক মহাপ্ৰয়াণ দিৱস অসম ভীম সেনা কেন্দ্ৰীয় সমিতিৰ উদ্যোগত কেন্দ্ৰীয় ভাৱে বৰপেটাত পালন কৰা হয়। বৰপেটাৰ কৰ্মচাৰী পৰিষদৰ কাৰ্য্যালয় ভৱনত অনুষ্ঠিত বাবাচাহেব ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ ৭০ সংখ্যক মহাপ্ৰয়াণ দিৱস উপলক্ষে বাবাচাহেব ড° ভীমৰাও ৰামজী আম্বেদকোৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। বাবাচাহেব ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ ৭০ সংখ্যক মহাপ্ৰয়াণ দিৱস উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে অসম কবি সন্মিলনৰ সভাপতি দীনেশ দাস। সভাত বক্তা সকলে বাবাচাহেব ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ ওপৰত ভাষণ প্ৰদান কৰে। উক্ত সভাতে অসম ভীম সেনা কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা বিশিষ্ট সমাজসেৱক, জেষ্ঠ অধিবক্তা, অৱসৰী অধ্যাপক উদ্ধৱ চন্দ্ৰ দাসক "আম্বেদকাৰ আদৰ্শ বঁটা- ২০২৫" বঁটা প্ৰদান কৰা হয়। বটা গ্ৰহণ কৰি উদ্ধৱ চন্দ্ৰ দাসে কয় এই অনুষ্ঠানত মোক যি বটা প্ৰদান কৰিলে সমাজৰ প্ৰতি মোৰ দায়বদ্ধতা আজিৰ পৰা বাঢ়ি গল। ড° ভীমৰাও আম্বেদকাৰে যিদৰে সমাজখন সংগঠিত কৰাৰ কাৰণে, সমাজখন আগুৱাই নিয়াৰ কাৰণে সেই দায়বদ্ধতা অনুষ্ঠানটোৱে মোক এই বটা প্ৰদান কৰি মোৰ দায়বদ্ধতা বৃদ্ধি কৰিলে বুলি সংবাদ মাধ্যমৰ আগত মতামত আগবঢ়ায়।

# যোৰহাট আবৰ্ত ভৱনৰ চৌহদত ভাৰত কণ্ঠ দেৱজিৎ পাহাৰ অৰ্কিড ৰোপণ

**অসম বাৰ্তা, যোৰহাট, ৬ ডিচেম্বৰ ঃ** অসম সাহিত্য সভাৰ যোৰহাট কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন ৰ শতবৰ্ষ মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ অহা ভাৰত কণ্ঠ দেৱজিৎ সাহাৰ সৈতে যোৰহাট আৱৰ্ত ভৱন চৌহদত জুবিন গাৰ্গ দেৱৰ সৃষ্টিৰাজি সংৰক্ষণ আদি বিষয়ক বিভিন্ন বিষয়ক আলোচনা কৰাৰ মুহূৰ্ত্তত প্ৰকৃতি প্ৰেমী আৰু অসমীয়া ছবিৰ প্ৰচাৰ প্ৰসাৰৰ এগৰাকী অক্লান্ত কৰ্মী সমীৰ ৰয়ৰ সৈতে দেৱজিৎ সাহা আজি। কথা প্ৰসংগত দেৱজিৎ সাহা ই কয় যে জুবিন গাৰ্গ সৃষ্টিৰাজী সংৰক্ষণ, এখন জুবিন গাৰ্গ একাডেমী বা এখন ইনষ্টিটিউচন আদি নিৰ্মাণ সম্পৰ্কে গৰিমা শইকীয়া গাৰ্গক নিজা মত পোষণ কৰা বুলি জানিব দিয়ে। সৃষ্টিৰাজী সংৰক্ষণৰ ক্ষেত্ৰত ৰাইজৰ লগতে চৰকাৰেও এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি তেখেতে মত পোষণ কৰে। এইক্ষেত্ৰত নতুন প্ৰজন্মক আগুৱাই নিবলৈ মোৰ লগতে প্ৰতিজন শিল্পীয়েই অৰিহণা আগ বঢ়াব বুলি ভাৰত কণ্ঠ দেৱজিৎ সাহাই আশা প্ৰকাশ কৰে আৰু সমীৰ ৰয়ক তেখেতে প্ৰকৃতি আৰু অসমীয়া ছবি উদ্যোগৰ বাবে নিস্বাৰ্থ ভাৱে আজি কেইবাবছৰ ধৰি অব্যাহত ৰখা অবিৰত যাত্ৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

# নৱগঠিত মাকুম সম জিলাত প্ৰথমবাৰ পালন কৰা হ'ব শ্বহীদ দিৱস

**অসম বাৰ্তা, মাকুম, ৫ ডিচেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে পোনপ্ৰথমবাৰ নৱগঠিত মাকুম সম জিলা প্ৰশাসনৰ উদ্যোগত অহা ইংৰাজী ১০ ডিচেম্বৰ তাৰিখে মাকুম ৰজনীকান্ত বৰদলৈ খেলপথাৰত চৰকাৰী ভাৱে পালন কৰা হ'ব শ্বহীদ দিৱস। অহা ১০ ডিচেম্বৰ তাৰিখে পালন কৰিবলগীয়া শ্বহীদ দিৱসৰ সম্বন্ধে আজি মাকুম সম জিলাৰ প্ৰশাসনৰ আহ্বান মৰ্মে মাকুম পৌৰসভাৰ সভাকক্ষত মাকুম পৌৰ সভাৰ সকলো বিষয়ববীয়া সকল, স্থানীয় দল-সংগঠন প্ৰমুখ্যে মাকুমৰ বিভিন্নজন সমাজ সেৱকৰ উপস্থিতিত এখনি সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাখনি আৰম্ভণিৰ আঁত ধৰাৰ লগতে শ্বহীদ দিৱসৰ কাৰ্যসূচী সমূহৰ বিষয়ে আলোকপাত কৰে সম জিলাৰ আয়ুক্ত পংকজ চমুৱাই। শ্বহীদ দিৱসৰ কাৰ্যসূচী পুৱা ১০.৩০ বজাত শ্বহীদ তৰ্পণ, ৰাতিপুৱা ১১ বজাৰ পৰা দিনৰ ১২.৩০ বজালৈকে কেন্দ্ৰীয় কাৰ্যসূচী গুৱাহাটীৰ পৰা পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব, ১২.৩০ ৰ পৰা শ্বহীদ প্ৰণামো গীত সমূহীয়া পৰিৱেশন কৰা হ'ব আৰু নিৰ্দিষ্ট বক্তাৰ দ্বাৰা ভাষণ প্ৰদান কৰা হ'ব আৰু সন্ধ্যা ৮৬০ গৰাকী সন্মানীয় শ্বহীদৰ স্মৃতিত বন্তী প্ৰজ্বলন কৰা হ'ব বুলি সম জিলা আয়ুক্ত গৰাকীয়ে সংবাদ মাধ্যমৰ জৰিয়তে অৱগত কৰাৰ লগতে সমূহ মাকুম বাসী ৰাইজক উক্ত অনুষ্ঠানত স্বতঃস্ফূৰ্ত ভাৱে সহযোগ কৰাৰ আহ্বান জনাইছে। তাৰপাছতে সভাত উপস্থিত থকা বিভিন্ন জনৰ পৰা দিহা পৰামৰ্শ লোৱাৰ লগতে মাকুম ৰজনীকান্ত বৰদলৈ খেলপথাৰখন পৰিদৰ্শন কৰা হয়।

বলেৰ'বাহন জব্দ; আন এজন সৰবৰাহকাৰী পলায়ন

# নাজিৰাৰ বৰতলা তিনি-আলিত আৰক্ষীৰ অভিযাত ড্ৰাগছসহ এজন আটক

**অসম বাৰ্তা, নামতি, ৬ ডিচেম্বৰ ঃ** নাজিৰা আদৰ্শ আৰক্ষী থানাৰ পৰা প্ৰায় এশ মিটাৰ নিলগৰ বৰতলা তিনিআলিত নিশা আৰক্ষীয়ে অভিযান চলাই হিৰ'ইন সহ এখন বলেৰ' গাড়ী জব্দ কৰাৰ লগতে এজন হিৰ'ইন সৰবৰাহকাৰী আটক কৰে আৰু আন্ধাৰৰ সুযোগ লৈ আন এজন ড্ৰাগছ সৰবৰাহকাৰী পলায়ন কৰে। নাজিৰা আদৰ্শ আৰক্ষী থানাৰ নাকিদূৰত্বতে দীৰ্ঘদিন ধৰি ড্ৰাগছৰ বেহা চলাই আহিছে। নিশা নাজিৰা সমজিলা আৰক্ষী অধীক্ষক তুষাৰ দেশাই আৰু আৰক্ষী পৰিদৰ্শক ভৰেন দাসৰ নেৰ্তৃত্বত আৰক্ষীৰ দলে অভিযান চলাই কণ্টেনাৰত ১৮.৬৮ গ্ৰাম ড্ৰাগছসহ এ এছ ০৪ এ জে ১৪৭৯ নম্বৰৰ বলেৰ' গাড়ীখন জব্দ কৰে। আৰক্ষীয়ে হিৰ'ইন বেপাৰী নাজিম ওৰফে বাবাতু আলীক আটক কৰিবলৈ সক্ষম হয় যদিও আন এজন ড্ৰাগছ সৰবৰাহকাৰী ৰাহুল ওৰফে কুলাই আলী আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰিবলৈ সক্ষম হয়।

# মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত কেন্দ্ৰীয় নাৰী দিৱস উদ্‌যাপন সমিতি গঠন



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৮ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ মহিলা কোষৰ উদ্যোগত, মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনী আৰু জিলা সন্মিলনীৰ মহিলা কোষৰ আতিথ্যত দুদিনীয়া কাৰ্যসূচীৰে ৰাজ্যিক সন্মিলনীৰ ১২ সংখ্যক কেন্দ্ৰীয় নাৰী দিৱস উদ্‌যাপন কৰা হ'ব। সেই উপলক্ষে আদৰণী সমিতি গঠনৰ উদ্দেশ্যে আজি মৰিগাঁৱৰ পবিতৰা হাটত এখন সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন উপ-সভাপতি ঘন বৰাই প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি নিৱেদন কৰাৰ লগতে শিক্ষক তথা বাঁহীবাদক ভাৰত বৰাই মায়াৱিনী গীতত বাঁহী বাদন কৰে। আনহাতে মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মিহিৰ হাজৰিকাই সভাখনত সভাপতিত্ব কৰে। সভাত অংশগ্ৰহণ কৰি মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত (শিক্ষা) অনসুয়া শৰ্মাই নাৰী দিৱস উদ্‌যাপনে জিলাৰ শৈক্ষিক ক্ষেত্ৰখনত ইতিবাচক প্ৰভাৱ পেলাব বুলি উল্লেখ কৰে। সভাত অংশগ্ৰহণ কৰি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে বিগত বৰ্ষবোৰত ৰাজ্যিক সন্মিলনীয়ে অনুষ্ঠিত কৰি অহা নাৰী দিৱসৰ ৰূপৰেখা দাঙি ধৰাৰ লগতে ৰাষ্ট্ৰীয়- আন্তৰাষ্ট্ৰীয় শিক্ষক সংগঠনৰ সৈতে সন্মিলনীয়ে সযোগিতাৰে গ্ৰহণ কৰা পদক্ষেপৰ লগতে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই "পঢ়িবলৈ শিকো আহা" কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰে। সভাত অংশগ্ৰহণ কৰি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি নীলাক্ষী গগৈ, উপ-সভাপতি ত্ৰিদীপ বৰুৱা, ৰাজ্যিক মহিলা কোষৰ সম্পাদিকা মনিষা দত্তই শিক্ষক- শিক্ষয়িত্ৰী সকলক একত্ৰিত হৈ নাৰী দিৱসৰ কাৰ্যসূচী সফল কৰিবলৈ আহ্বান জনায়। সভাত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপদেষ্টা গীৰিন্দ্ৰ খাটনিয়াৰ, দীপক কুমাৰ মেধি, মিণ্টু বৰঠাকুৰ, উপ-সভাপতি ইমৰান শ্বাহ, ৰুবুল মেধি, হৰলাল মণ্ডল, ৰাজ্যিক সদস্য নজৰুল ইছলাম প্ৰমুখ্যে জিলা সন্মিলনীৰ বিষয়ববীয়া আৰু বিভিন্ন কেন্দ্ৰৰ শিক্ষয়িত্ৰী সকল উপস্থিত থাকে। সভাত নিজৰা শইকীয়া আৰু অনুৰাধা বৰদলৈয়ে কবিতা আবৃত্তি কৰে। মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সাধাৰণ সম্পাদক মানস প্ৰতীম পাটৰে সভাৰ আঁত ধৰে। উল্লেখযোগ্য যে, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ২০০৬ চনত গঠন কৰা মহিলা কোষে ২০১৫ চনৰ পৰাই বিভিন্ন মণ্ডল সন্মিলনীৰ আতিথ্যত বৰ্ণাঢ্য কাৰ্যসূচীৰে নাৰী দিৱস উদ্‌যাপন কৰি আহিছে। এই বেলি মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনী আৰু মহিলা কোষৰ আতিথ্যত অনুষ্ঠিত হ'ব। সভাত অনসুয়া শৰ্মা, সভাপতি, মিহিৰ হাজৰিকা আৰু নীলোফা ইয়াছমিন কাৰ্যকৰী সভাপতি, মানস প্ৰতীম পাটৰ আৰু চাৰলীনা দাসক সাধাৰণ সম্পাদক হিচাপে লৈ এখন শক্তিশালী আদৰণী সমিতি গঠন কৰা হয়।


# বিশ্ব প্ৰতিবন্ধী দিৱস পালন আৰু বিশেষ সক্ষম লোক কল্যাণ সমিতি গঠন

**অসম বাৰ্তা, জাঁজী, ৬ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ বিশেষ সক্ষম লোক সমিতি, অসম বিশেষ সক্ষম সমিতি আৰু জিলা অভিভাৱক সমিতিৰ সৌজন্যত শিৱসাগৰ প্ৰতি বন্ধী প্ৰশিক্ষণ কেন্দ্ৰ ন-পুখুৰী পাৰত যোৱা ৩ ডিচেম্বৰ তাৰিখে প্ৰতিবন্ধী দিবস দিনজোৰা বিভিন্ন কাৰ্য্যসূচীৰে উদযাপন কৰে। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে সমিতিৰ সভাপতি উপেন মহনে, আৰু জুবিন গাৰ্গ ৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অসম সমিতি ৰ সম্পাদক দিগন্ত চেতিয়াই। সমান্তৰাল ভাবে দিনৰ ১২ বজাৰ মুকলি সভাৰ সভাপতিত্ব কৰে শিৱসাগৰ কলেজৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা মনিকা শইকীয়াই। ইয়াৰোপৰি নিশা ৭ বজাত অসমৰ বিভিন্ন জিলাৰ পৰা অহা বিশেষ সক্ষম সমিতিৰ উদ্যোগত প্ৰশিক্ষণ কেন্দ্ৰ ত শিৱসাগৰ জিলাৰ বিমলা প্ৰসাদ বৰাৰ সভাপতিত্বত এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত বিমলা প্ৰসাদ বৰাক সভাপতি দিগন্ত চেতিয়া ক সম্পাদক হিচাপে লৈ নতুন সমিতি গঠন কৰে আৰু অহা ৪ জানুৱাৰী তাৰিখে পুনৰ সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয় আৰু তাতেই দায়িত্বভাৰ অৰ্পণ কৰা হব বুলি সংবাদ মাধ্যমক জানিবলৈ দিছে।

**তিনি বছৰেও সম্পূৰ্ণ নহ'ল কাম, পথ দুৰ্ঘটনা বৃদ্ধি**

# ৰাখালডুবি উৰণীয়া সেঁতুৰ দুৰ্দশা

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৮ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ ৰাখালডুবিত প্ৰায় ১৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া উলম্ব উৰণীয়া সেতুখনৰ দুৰৱস্থা এতিয়া স্থানীয় ৰাইজৰ বাবে এক ডাঙৰ সমস্যা আৰু ৰাজহুৱা বিতৰ্কৰ বিষয় হৈ পৰিছে। প্ৰায় তিনি বছৰ পূৰ্বে আৰম্ভ হোৱা এই গুৰুত্বপূৰ্ণ প্ৰকল্পটো আজিও অসম্পূৰ্ণ হৈ পৰি থকাৰ ফলত ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (NHIDCL) আৰু নিৰ্মাণৰ দায়িত্ব লোৱা ঠিকাদাৰৰ (Contractor) মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। ৰাখালডুবি উৰণীয়া সেতুৰ আংশিক নিৰ্মাণ কাৰ্য দেখিলে ইয়াৰ ডিজাইনক লৈও প্ৰশ্ন উঠিছে।



অসম্পূৰ্ণ অৱস্থাত থকা সেতুখনৰ দুটা বিশাল অংশই পথৰ ওপৰত থিয় হৈ আছে। স্থানীয় ৰাইজে ইয়াৰ ডিজাইনৰ অসাৰতাক লৈ মন্তব্য কৰিছে যে, "কি কাৰণত এনেদৰে এইখন সজাই থলে সেয়া আমাৰ বোধগম্য নহয়। দেখিলে এনে লাগে যেন যুঁজাৰু বিমানৰ ৰানৱেহে।" প্ৰায় ২০-২১ বিঘা বিশাল ভূমি অধিগ্ৰহণ কৰি এই উৰণীয়া সেতুৰ বাবে পথ প্ৰশস্ত কৰা হৈছিল। ইয়াৰ ফলত কেইবাটাও পৰিয়ালে নিজৰ থকা ঘৰ উঠাই স্থানান্তৰিত হ'বলগীয়া হৈছিল। ইমান ত্যাগ স্বত্বেও প্ৰকল্পটো তিনি বছৰ ধৰি সম্পূৰ্ণ নোহোৱাৰ ফলত সৃষ্টি হোৱা বিশৃংখলতাৰ বাবে পথত নিয়মীয়াকৈ দুৰ্ঘটনা সংঘটিত হৈ আছে। ইয়াৰ ফলত কেৱল জনসাধাৰণৰ সময় আৰু ধনৰ ক্ষতি হোৱাই নহয়, বহু লোকৰ জীৱনো বিপদাপন্ন হৈছে। স্থানীয় ৰাইজৰ মূল অভিযোগ এয়ে যে এই বিলম্বৰ বাবে এন এইজ আই ডি চি এল আৰু ঠিকাদাৰ-ৰ অকৰ্মণ্যতা দায়ী। ৰাইজে বাৰম্বাৰ কাম সোনকালে আৰম্ভ কৰিবলৈ আবেদন জনোৱাৰ পিছতো ঠিকাদাৰে প্ৰতি দুই-এক মাহৰ পিছত কাম আৰম্ভ কৰাৰ আশ্বাস দিয়ে, কিন্তু আজি পৰ্যন্ত কাম আৰম্ভ হোৱা নাই। এই দায়িত্বহীনতাই প্ৰমাণ কৰে যে জনসাধাৰণৰ সুবিধাৰ প্ৰতি তেওঁলোকৰ কোনো মনোযোগ নাই। ক্ষুব্ধ ৰাখালডুবিৰ ৰাইজে শীঘ্ৰেই চৰকাৰ আৰু পথ নিৰ্মাণ বিভাগক এই বিষয়টোত গুৰুত্ব সহকাৰে হস্তক্ষেপ কৰিবলৈ দাবী জনাইছে। তেওঁলোকে দাবী জনাইছে যে ১৮ কোটি টকাৰ ৰাজহুৱা ধন যাতে অপব্যৱহাৰ নহয় তাৰ বাবে শীঘ্ৰেই প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰি নিৰ্ধাৰিত মানদণ্ডৰে সম্পূৰ্ণ কৰা হওক। এই অসম্পূৰ্ণ উৰণীয়া সেতুৰ বাবে সৃষ্টি হোৱা দুৰ্ঘটনাসমূহ বন্ধ কৰিবলৈ প্ৰশাসনে তৎক্ষণাত ব্যৱস্থা গ্ৰহণ কৰাটো অতি জৰুৰী।

**ড° বিৰিঞ্চি বৰাৰ "ববচা বনৰ দলিচাত" আৰু "কাব্যগন্ধা" শীৰ্ষক পত্ৰিকা উন্মোচন**

# হাঁহচৰা শাখা সাহিত্য সভাৰ বহু ভাষিক কবি সন্মিলন সম্পন্ন



**অসম বাৰ্তা, আমগুৰি, ৮ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ হাঁহচৰা শাখা সাহিত্য সভাৰ উদ্যোগত যোৱা ৫ ডিচেম্বৰ শুক্ৰবাৰে অনুষ্ঠিত হয় এক বহু ভাষিক কবি সন্মিলন আৰু গ্ৰন্থ উন্মোচনী সভা। হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত অনুষ্ঠিত হোৱা কবি সন্মিলনখনিত বন্তি প্ৰজ্বলন কৰি বিশিষ্ট চিকিৎসক ডাঃ যদুনাথ বুঢ়াগোহাঁইয়ে অনুষ্ঠানটো শুভাৰম্ভ কৰে। হাঁহচৰা শাখা সাহিত্য সভাৰ সম্পাদক মদন মোহন পাগবন্ধাই আঁত ধৰা অনুষ্ঠানত শাখাৰ সভানেত্ৰী অৰ্পনা চুতীয়াই আদৰণি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত হাঁহচৰা শাখা সাহিত্য সভাৰ উপদেষ্টা, নিতাই পুখুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ বৰাৰ "ববচা বনৰ দলিচাত" শীৰ্ষক শিশু উপন্যাসখন উন্মোচন কৰে অৱসৰি অধ্যাপক সাহিত্যিক ড° যতীন কোঁৱৰে। শাখাৰ সম্পাদক মদন মোহন পাগবন্ধাৰ সম্পাদনাত প্ৰকাশ পোৱা "কাব্যগন্ধা" শীৰ্ষক বহু ভাষিক কাব্য পত্ৰিকা খনৰ প্ৰস্তাৱনা সংখ্যাটো উন্মোচন কৰে যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ নাথ হাজৰিকাই। বিশিষ্ট লেখক সাহিত্যিক চামচুল বাৰিকৰ সঞ্চালনাত আৰু ৭০ উৰ্ধৰ কবি হাঁহচৰা শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সূৰ্য্য কোঁৱৰৰ কবিতা পাঠেৰে আৰম্ভ হোৱা বহু ভাষিক কবি সন্মিলন খনত মৰাণ ভাষাত ৰঞ্জু কোঁৱৰ, ইংৰাজী ভাষাত বিমলা বৰুৱা, হিন্দী ভাষাত বিজু তনুৱাল, কামৰূপীয়া কথিত ভাষাত জোনালী ডেকা, মিছিং ভাষাত দেবীলাল গাম, চাহ জনগোষ্ঠীয় ভাষাত মাঝি মাঝিয়ে কবিতা পাঠ কৰাৰ লগতে অসমৰ সাম্প্ৰতিক সময়ৰ কাব্য চৰ্চাৰ চিনাকি মুখ ত্ৰিদীপ কুমাৰ বৰগোহাঁই, হেমন্তজ্যোতি গগৈ, অৰূপজ্যোতি হাজৰিকা, শংকৰ দেৱ, পৰাগ শইকীয়া, দিলীপ তাঁতী, সৌৰভ জ্যোতি দুৱৰা, মিণ্টু সাগৰ দাস, অশান্ত ৰাতুল দত্ত, কাব্যশ্ৰী গগৈ, লাকী দত্ত, ৰীতা বৰুৱাকে ধৰি শাখা সাহিত্য সভাৰ মনোমালা হাজৰিকা, ৰাতুল ফুকন, তপন পাত্ৰ, মানস প্ৰতিম গগৈ, জ্যোতিৰূপা বৰা আদিকে ধৰি প্ৰায় অৰ্ধ শতাধিক কবিয়ে কবিতা পাঠ কৰে। অনুষ্ঠানটোত জিলা সাহিত্য সভাৰ উপ সভাপতি মাধৱ মহন্ত, কেন্দ্ৰীয় সদস্য প্ৰশিল কুমাৰ বৰা, প্ৰাক্তন অধ্যাপক তথা বিশিষ্ট লেখক ড° ভাৰত বৰা, বিশিষ্ট লেখিকা জুৰি শইকীয়াকে ধৰি বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

**ৰাজ্যিক পৰ্যায়ত দ্বিতীয় স্থান লাভ**

# ৰাষ্ট্ৰীয় লোকনৃত্য প্ৰতিযোগিতাত মৰিগাঁও জিলাৰ সাফল্য




**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৮ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লীৰ সৌজন্যত অসম ৰাজ্যিক শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ জনসংখ্যা শিক্ষা কোষৰ জৰিয়তে আয়োজন কৰা ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় লোক নৃত্য প্ৰতিযোগিতাত মৰিগাঁও জিলাই ৰাজ্যখনৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিছে। গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অলপতে আয়োজিত ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত মৰিগাঁও জিলাৰ হৈ কিলিং পৰীয়া মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দলটিয়ে এই সন্মান বুটলিবলৈ সক্ষম হৈছে। উল্লেখ্য যে জিলাৰ শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত জিলা স্তৰৰ এই প্ৰতিযোগিতাত এই দলটিয়ে প্ৰথম স্থান লাভ কৰিছিল। দলটিৰ জৰিয়তে বিদ্যালয়খনৰ এই সাফল্যত জিলাখনৰ বিভিন্ন দল-সংগঠন, বৌদ্ধিক সমাজে সন্তোষ প্ৰকাশ কৰিছে আৰু দলটিলৈ অভিনন্দন জনাইছে।

# নেচনেল হিউমেন ৰাইটছ আৰগেনাইজেছনে নতুনকৈ অসম ৰাজ্যৰ চেয়াৰমেন হিচাপে মনোনীত কৰিলে ফাৰুক খানক

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৮ ডিচেম্বৰ ঃ** নেচনেল হিউমেন ৰাইটছ আৰগেনাইজেছনে (NHRO) অসমৰ বাবে নতুনকৈ ৰাজ্যিক চেয়াৰমেনৰ পদত বৰপেটাৰ কৰ্মোদ্যমী যুৱ নেতা ফাৰুক খানক মনোনীত কৰিছে। এই মনোনয়ন ১০ ডিচেম্বৰ ২০২৫ তাৰিখৰ পৰা কাৰ্যকৰী হ'ব আৰু সংগঠনটোৰ নিয়ম-চৰ্তাৱলীৰ অধীনত থাকিব। এই নিযুক্তি পত্ৰ NHROৰ ৰাষ্ট্ৰীয় সচিব ৰশ্মি আগ্ৰৱালে জাৰি কৰিছে। পত্ৰখনৰ মাধ্যমৰে সংগঠনে অংশগ্ৰহণ কৰা সদস্যসকলৰ পৰা আশা প্ৰকাশ কৰিছে যে তেওঁলোকে নিজৰ দায়িত্ব সততাৰ সৈতে পালন কৰিব আৰু মানব অধিকাৰৰ সংস্কৃতিক আগবঢ়োৱাৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে অৱদান আগবঢ়াব। NHROৰ এই মনোনয়নৰ প্ৰধান উদ্দেশ্য হৈছে সমাজত মানব অধিকাৰৰ সংস্কৃতিক অধিক বঢ়োৱা। সংগঠনে নিৰ্দেশ কৰিছে যে যিকোনো প্ৰকাৰৰ অনিয়ম, শৃংখলাভংগ বা নিয়ম উলংঘনৰ ঘটনা পোহৰলৈ আহিলে তদন্ত কৰা হ'ব আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। চেয়াৰমেনৰ কাৰ্যকাল ১ বছৰ হ'ব। NHROৰ কাৰ্যাবলীৰ মতে এই মনোনয়নে সংগঠনটোৰ সামাজিক কাৰ্যক্ষমতা আৰু প্ৰভাৱশীলতা বৃদ্ধি কৰিব আৰু সমাজৰ উন্নয়নত সহায়ক হ'ব।

# মাজুলীৰ ৰঙাচাহী মহাবিদ্যালয়ত "ড° মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সাহিত্য কৃতি" শীৰ্ষক দ্বিতীয় লানি বক্তৃতামালা সম্পন্ন




**অসম বাৰ্তা, মাজুলী, ৮ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত, মাজুলী সাংস্কৃতিক কেন্দ্ৰ, আভ্যন্তৰীণ মান নিৰূপণ কোষ, ৰঙাচাহী মহাবিদ্যালয় আৰু নাটঘৰ মাজুলীৰ সহযোগত আজি পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ড° মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সাহিত্যকৃতি শীৰ্ষক তিনিদিনীয়া বক্তৃতানুষ্ঠান আৰু আলোচনা চক্ৰৰ দ্বিতীয় দিনৰ কাৰ্য্যসূচীৰ শুভ উদ্বোধন কৰে ৰঙাচাহী কলেজৰ অধ্যক্ষ ড° নৱ কুমাৰ গামে। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা দ্বিতীয় দিনাৰ বক্তৃতা আৰু আলোচনা চক্ৰখনিৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° নৰনাথ মৰাং। অধ্যক্ষ ড° নৱ কুমাৰ গামে আগবঢ়োৱা আদৰণিৰ ভাষণৰ পাছতেই মূল বক্তা ড° নৰনাথ মৰাঙে ড° মামণি ৰয়চম গোস্বামীৰ জীৱন আৰু সাহিত্য কৃতিৰ ওপৰত এক গভীৰ আৰু বিস্তৃত আলোচনা আবঢ়ায়। তেওঁ মামণি ৰয়ছম গোস্বামীৰ আদৰ্শ আৰু মহত্বই অসমীয়া সাহিত্য তথা সমাজ জীৱনত কেনেধৰণৰ প্ৰভাৱ পেলাইছে সেই সম্পৰ্কে ব্যাখ্যা কৰে। তেওঁ তেওঁৰ ভাষণ প্ৰসংগত শ্ৰেষ্ঠ অসমীয়া ১০জন সাহিত্যিকৰ ভিতৰত মামণি ৰয়ছম গোস্বামীক এজন বুলি অভিহিত কৰাৰ উপৰিও মামণি ৰয়ছম গোস্বামীৰ মানৱতাবাদী আদৰ্শই অসমীয়া সমাজ জীৱনক কিদৰে প্ৰভাৱিত কৰি ৰাখিছে সেই সম্পৰ্কে এক তত্ত্বগধুৰ আলোচনা আগবঢ়াই। মূল বক্তৃতাৰ পাছতেই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকগোটৰ মাজত বিষয়বস্তুক কেন্দ্ৰ কৰি এলানি চমু আলোচনা অনুষ্ঠিত হয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়াই মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ৰাজীৱ হাজৰিকাই। ৰঙাচাহী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকগোটকে প্ৰমুখ্যে কৰি মাজুলীৰ বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতত অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানটিৰ আঁত ধৰে নাটঘৰ মাজুলীৰ সঞ্চালক ভাস্কৰ জ্যোতি বৰাই।

**অঞ্চলটোত শোকৰ ছাঁ**

# বকোৰ শিছাপীঠত ৰে'ল আলিত সৰবৰহী ব্যক্তি কমলা ভড়ালীৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, বকো, ৬ ডিচেম্বৰ ঃ** চৰণেহে জানে মৰণৰ ঠাই। আজি পুৱাতে কামৰূপ জিলাৰ বকোৰ শিছাপীঠত সংঘটিত হৈছে এক কৰুণ তথা মৰ্মান্তিক ঘটনা। প্ৰাপ্ত তথ্য অনুসৰি শিছাপীঠ গাঁৱৰ সৰবৰহী ব্যক্তি, দলবাৰী বুঢ়াগোহাঁই মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি তথা ধৰ্মপ্ৰাণ ব্যক্তি কমলা ভড়ালীৰ মৃতদেহ ৰে'ল পথত উদ্ধাৰ হয়। কমলা ভড়ালী তথা কলিমণ ভড়ালীৰ মৃতদেহ ৰে'ল আলিত উদ্ধাৰ হোৱাত পৰিয়ালৰ লগতে ওচৰ চুবুৰীয়াৰ মাজত হাহাকাৰ লাগে। লগে লগে আৰক্ষীক খবৰ দিয়া হয় আৰু আৰক্ষীৰ উপস্থিতিত মৃতদেহটো থানালৈ আনে। ইফালে অঞ্চলটোৰ এগৰাকী সমাজ কৰ্মী তথা সৰবৰহী ব্যক্তি হিচাপে পৰিচিত কমলা ভড়ালীৰ মৃত্যুত সৰ্বত্ৰে শোঁকৰ চা পৰে। মৃত্যুৰ সময়ত কমলা ভড়ালীয়ে পত্নী-পুত্ৰ-বোৱাৰীকে ধৰি নাতি নাতিনীক এৰি গুচি যায়।

# ৰূপহীহাটৰ কাৱৈমাৰীত বুজন পৰিমাণৰ ড্ৰাগছ, কফ ছিৰাফসহ ৰাইজৰ ৰোষত ১০৮ৰ গাড়ী চালক

**অসম বাৰ্তা, ৰূপহীহাট, ৮ ডিচেম্বৰ ঃ** ৰূপহীহাটৰ কাৱৈমাৰীত য়োৱানিশা ৰাইজৰ ৰোষত পৰে এজন ড্ৰাগছ সৰবৰাহকাৰী। জানিব পৰা মতে য়োৱানিশা কাৱৈমাৰী নুৰুল হুছেইন এফআৰইউ ৰ ১০৮ ৰ গাড়ী চালক আখিলুজ জামানে ড্ৰাগছ বিক্ৰি কৰিবলৈ যোৱাৰ সময়তে কাৱৈমাৰী গাঁৱৰক্ষী বাহিনী আৰু ৰাইজৰ ৰোষত পৰে। গাঁওৰক্ষী বাহিনী আৰু স্থানীয় ৰাইজে ড্ৰাগছ সৰবৰাহকাৰী জনক উত্তম মাধ্যম শোধাই কাৱৈমাৰী আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত কাৱৈমাৰী আৰক্ষী উপস্থিত হৈ ড্ৰাগছ সৰবৰাহকাৰী জনৰ পৰা ৭ টাকৈ ড্ৰাগছভৰ্তি কণ্টেইনাৰ আৰু ১০ টাকৈ কফ ছিৰাফৰ বটল জব্দ কৰে। ধৃত ১০৮ ৰ গাড়ী চালকজনে দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই আহিছিল। কাৱৈমাৰী আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত সৰবৰাহকাৰী টোক জেৰা অব্যাহত ৰাখিছে।

**সামাজিক মাধ্যমৰ প্ৰয়োজনীয়তা বিষয়ক তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত**

# মৰিগাঁও জিলাত "যুৱ সংসদ" কাৰ্যসূচী সফলভাৱে সম্পন্ন




**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৮ ডিচেম্বৰ ঃ** শনিবাৰে মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা শিক্ষা বিভাগৰ সহযোগত আই. টি. ডি. পি. প্ৰেক্ষাগৃহত "যুৱ সংসদ" কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হয়। জিলাখনৰ যুৱ প্ৰজন্মৰ মাজত গণতান্ত্ৰিক মূল্যবোধ, নেতৃত্বৰ গুণ আৰু সামাজিক বিষয়ৰ জ্ঞান বৃদ্ধিৰ লক্ষ্যৰে আয়োজিত এই অনুষ্ঠানত মুঠ ২০খন বিদ্যালয়ৰ ১৪০ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু ২০ গৰাকী শিক্ষকৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়সমূহৰ মাজত "যুৱ প্ৰজন্মৰ মাজত সামাজিক মাধ্যমৰ প্ৰয়োজনীয়তা" শীৰ্ষক বিষয়ত এক গুৰুত্বপূৰ্ণ তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাৰ জৰিয়তে বৰ্তমান সময়ৰ অন্যতম প্ৰভাৱশালী বিষয় সামাজিক মাধ্যমৰ ইতিবাচক আৰু নেতিবাচক দিশসমূহৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ যুক্তিপূৰ্ণ মতামত আগবঢ়ায়। অনুষ্ঠানৰ শুভ উদ্বোধন কৰে মৰিগাঁও জিলাৰ জিলা উন্নয়ন আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা আয়ুক্ত অৰ্পা বাগলাৰীয়ে। তেওঁ নিজৰ উদ্বোধনী ভাষণত কয়, "যুৱ সংসদৰ দৰে কাৰ্যসূচীয়ে যুৱক-যুৱতীসকলক দেশৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ বিষয়ে শিকোৱাত আৰু ভৱিষ্যতৰ নাগৰিক হিচাপে নিজৰ দায়িত্ব বুজিবলৈ উৎসাহিত কৰাত সহায় কৰে। "অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত গগৈ, অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) অনসুয়া শৰ্মাৰ লগতে সহকাৰী আয়ুক্ত সন্তোষ বুঢ়াগোঁহাই আৰু মৃগাক্ষী বৰুৱা উপস্থিত থাকে। সমগ্ৰ শিক্ষাৰ জিলা আঁচনি বিষয়া লক্ষ্মীনন্দন শইকীয়াও এই অনুষ্ঠানত উপস্থিত আছিল। সভাৰ আদৰণি ভাষণ আগবঢ়ায় বিদ্যালয়সমূহৰ পৰিদৰ্শক ড: অপূৰ্ব ঠাকুৰীয়াই। তৰ্ক প্ৰতিযোগিতাৰ অধ্যক্ষ হিচাপে বিশিষ্ট শিক্ষাবিদ দয়ানন্দ পাঠক উপস্থিত থাকি প্ৰতিযোগীসকলৰ বক্তব্যৰ মূল্যায়ন কৰে। তেওঁ ভাষণত উল্লেখ কৰে যে, "যিকোনো তৰ্ক-বিতণ্ডা বা বিষয় নিৰ্বাচন প্ৰক্ৰিয়াত Change (পৰিবৰ্তন) আৰু Continuity (ধাৰাবাহিকতা) দুয়োটাই সমান গুৰুত্বপূৰ্ণ। শিক্ষাৰ্থীসকলে যুক্তি উপস্থাপন কৰাৰ সময়ত এই দুয়োটি দিশ ভালদৰে বিবেচনা কৰি বিষয় বাছনি কৰা আৱশ্যক। "বিশিষ্ট অতিথি হিচাপে আন এজন শিক্ষাবিদ আৰু লেখক শ্ৰী পৰেশ বৈশ্য উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। এই কাৰ্যসূচীয়ে মৰিগাঁও জিলাৰ শৈক্ষিক বাতাবৰণলৈ এক নতুন মাত্ৰা কঢ়িয়াই অনাৰ লগতে যুৱ প্ৰজন্মক সমাজৰ প্ৰতি অধিক সচেতন হ'বলৈ প্ৰেৰণা যোগায়।

# মাজুলী জিলা বিজেপিৰ মহিলা মৰ্চাৰ প্ৰথমখন বিষয়ববীয়া সভা সম্পন্ন



**অসম বাৰ্তা, মাজুলী, ৮ ডিচেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টি, মাজুলী জিলাৰ মহিলা মৰ্চাৰ প্ৰথমখন বিষয়ববীয়া সভা আজি ভাৰতীয় জনতা পাৰ্টি মাজুলী জিলাৰ মুখ্য কাৰ্যালয় গড়মূৰস্থিত অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত হয়। জিলা মহিলা মৰ্চাৰ সভানেত্ৰী ৰিতুমণি লাগাছুৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত সভাত বিধায়ক ভুবন গাম, জিলা বিজেপি সভাপতি দীপক গোস্বামী, ৰাজ্যিক মহিলা মৰ্চাৰ সদস্যা স্বৰ্ণলতা পেগু আৰু প্ৰভা দেৱীয়ে সংগঠনৰ বিভিন্ন দিশ সামৰি আগন্তুক কাৰ্যপন্থাৰ লগতে মহিলা শক্তিক সাৰ্থকভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত পৰামৰ্শ মূলক ভাষণ প্ৰদান কৰে। সভাত মাজুলী বিধানসভা সমষ্টিৰ নিৰ্বাচনী আহ্বায়ক দেৱ কুমাৰ মূদৈ, জিলা পৰিষদৰ নৱনিতা দাসকে ধৰি, ভাৰতীয় জনতা পাৰ্টিৰ জিলাৰ কাৰ্যকতা আৰু মহিলা মৰ্চাৰ জিলা বিষয়ববীয়া সকল উপস্থিত থাকে।

সামূহিক চাপৰ পৰা মুক্ত হৈ নিজস্ব অন্তৰ্দৃষ্টিৰে লিখা কবিতাই সাৰ্থক কবিতা - ড° উৎপল নাথ

# জাগীৰোডত কবি চেনেহী ডেকাৰ কাব্য গ্ৰন্থ 'মন দাপোণত এভূমুকি' উন্মোচন



**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৮ ডিচেম্বৰ ঃ** "সামূহিক চেতনাৰ পৰা মুক্ত হৈ নিজস্ব অন্তৰ্দৃষ্টিৰে লিখা কবিতাই শ্ৰেষ্ঠ কবিতা। মন দাপোণত এভুমকিৰ কবিতাই পাঠকৰ মনত নতুন চিন্তাৰ বাট মুকলি কৰিব।" -জাগীৰোডৰ কবি চেনেহী ডেকাৰ কাব্যগ্ৰন্থ 'মন দাপোণত এভূমুকি' আজি উন্মোচন কৰি এনেদৰে মন্তব্য কৰে মৰিগাঁও জিলা কবি সন্মিলনৰ উপসভাপতি তথা অধ্যাপক ড° উৎপল নাথে। ভাষণত তেওঁ আৰু কয় যে সকলো কবিৰ সকলো কবিতাই পৰিপূৰ্ণ নহয়। সেয়ে কবিসকলে অন্তৰ্দৃষ্টিৰে কবিতা লিখিব লাগে। তেনে কবিতাই সুন্দৰ হৈ পৰে। পাঠকে আদৰি লয়। সদৌ অসম কবি সন্মিলনৰ অন্তৰ্ভুক্ত মৰিগাঁও জিলা কবি সন্মিলনৰ উদ্যোগত আৰু জাগীৰোড শাখা কবি সন্মিলনৰ সহযোগত আজি জাগীৰোডৰ কণাবড়ীস্থিত কবি চেনেহী ডেকাৰ বাসগৃহত অনুষ্ঠিত হয় কাব্যগ্ৰন্থ উন্মোচন আৰু আঘোণৰ চোতালত শব্দৰ সুবাস অনুষ্ঠান। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঞিৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি নিৱেদন কৰে জাগীৰোড শাখা কবি সন্মিলনৰ সভানেত্ৰী প্ৰতিভা দেওৰজাই। মৰিগাঁও জিলা কবি সন্মিলনৰ সভাপতি অনিৰুদ্ধ ডেকাই গ্ৰন্থ উন্মোচনী আৰু কবিতা পাঠৰ অনুষ্ঠান সঞ্চালনা কৰে। অনুষ্ঠান উদ্বোধন কৰি মৰিগাঁও জিলা কবি সন্মিলনৰ উপসভাপতি জগদীশ নাথে নতুন প্ৰজন্মৰ কবিসকলক মঞ্চ দিব লাগে বুলি উল্লেখ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট কবি হৰেন্দ্ৰ বৰাই ভাষণত কয় যে এনে অনুষ্ঠানে সাংগঠনিক ভেটি শক্তিশালী কৰাৰ লগতে কাব্য প্ৰতিভা বিকাশ কৰে। সদৌ অসম কবি সন্মিলনে গ্ৰহণ কৰা এনে পদক্ষেপ প্ৰশংসনীয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি বহুভাষিক কবি ৰাজুমনি শইকীয়াই কয় যে জীৱনৰ উপলব্ধিয়েই কবিতা। কবিতাৰ পৰীক্ষা- নিৰীক্ষা হ'ব লাগে। গদ্যৰ শৈলীত কবিতা লিখিব নালাগে। অনুষ্ঠানত অংশগ্ৰহণ কৰি সদৌ অসম কবি সন্মিলনৰ সাংগঠনিক সম্পাদক ভৱেন চন্দ্ৰ নাথে শিপা খামুচি নতুন নতুন সৃষ্টি কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত নখোলা সাহিত্য চ'ৰাৰ সভানেত্ৰী অকণ দেৱী, মৰিগাঁও জিলা কবি সন্মিলনৰ পত্ৰিকা সম্পাদক জয়ন্ত সাগৰ শইকীয়া, প্ৰচাৰ সম্পাদক পৰমানন্দ ডেকা, জাগীৰোড শাখা কবি সন্মিলনৰ সম্পাদক অৱন্তি কুমাৰ বৰা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত নিজৰা শইকীয়া, দেৱজিৎ ডেকা, যশোৱন্ত নাথ, তৃষ্ণা মণি দাস, তুমণি গোস্বামী, সৃষ্টি কন্দৰ্প, বিভা ভাগৱতী, জ্যোতি ডেকা, লিলিমা ডেকা, গীতামণি দাস পাটৰ, অনিন্দিতা বৰুৱা, ৰাখী দে' প্ৰমুখ্যে অৰ্ধশতাধিক কবিয়ে কবিতা পাঠ কৰে। অনুষ্ঠানত অনুপ কুমাৰ দাস, কনকেশ্বৰ ডেকা আৰু ৰুমী শইকীয়াই গীত পৰিৱেশন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে জ্যোতিস্মিতা ডেকাই সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত মৰিগাঁও জিলা কবি সন্মিলনৰ তৰফৰ পৰা কবি চেনেহী ডেকাক গামোচা, কিতাপ আৰু স্মাৰকেৰে বিশেষভাৱে অভিনন্দন জনায়। মৰিগাঁও জিলা কবি সন্মিলনৰ সম্পাদক ৰাজীৱ চহৰীয়া আৰু কাব্যানুৰাগী নেইমা মেহজাবিনে আঁত ধৰা অনুষ্ঠানটি সদৌ অসম কবি সন্মিলনৰ কাব্যমন্ত্ৰৰে সামৰণী পৰে।

# মৈৰাবাৰী কমট্ৰন কম্পিউটাৰ শিক্ষা প্ৰতিষ্ঠান আনুষ্ঠানিকভাৱে ২য় বৰ্ষৰ ডিপ্লমা আৰু চাৰ্টিফিকেট বিতৰণী অনুষ্ঠান



**অসম বাৰ্তা, মৈৰাবাৰী, ৮ ডিচেম্বৰ ঃ** বিগত কেইবা বছৰ ধৰি মৈৰাবাৰী, লাহৰীঘাট অঞ্চলৰ প্ৰশংসা বুটলিবলৈ সক্ষম হোৱা স্মাৰ্ট ক'চিং ইন্সটিটিউটৰ সঞ্চালক ড° ৰাবুল আহাদৰ প্ৰচেষ্টাত মৈৰাবাৰীত ভাৰত চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত কম্পিউটাৰ শিক্ষা প্ৰতিষ্ঠান এবছৰ আগতে মুকলি কৰা হৈছিল। আজি মৈৰাবাৰীস্থিত কমট্ৰন কম্পিউটাৰ শিক্ষা প্ৰতিষ্ঠানত আনুষ্ঠানিক ভাৱে ২য় বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত কম্পিউটাৰ ডিপ্লমা (DCA আৰু CCA) প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানটোৰ ২য় বৰ্ষত সফলতাৰে উত্তীৰ্ণ হোৱা ২৩ গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰমাণ পত্ৰৰ লগতে এখনকৈ মৌমেণ্ট'ৰে সন্মানিত কৰে। মৈৰাবাৰী কমট্ৰন কম্পিউটাৰ প্ৰতিষ্ঠান দুগৰাকী শিক্ষক নৱদ্বীপ দাস আৰু হীৰা শইকীয়াৰ দ্বাৰা প্ৰশিক্ষণ দিয়া হয়। আজিৰ অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৈৰাবাৰী উন্নয়ন খণ্ডৰ খণ্ড বিষয়া ডষ্টৰ কাশ্মিৰী বেগম, আমন্ত্ৰিত অতিথি উপস্থিত থাকে দুৰাবান্ধী হাইস্কুলৰ বিজ্ঞান শিক্ষক ছফিকুৰ ৰহমান, পশ্চিম কাৰ্বি আংলং জিলা শিশু সুৰক্ষা গোটৰ চুপাৰভাইছৰ তথা মৈৰাবাৰীৰ যুৱক ফিৰুজ আহমেদ, যুৱ সাংবাদিক নুৰুল হুদা, ৰুয়েল আহমেদ। শনিবাৰে আনুষ্ঠানিক ভাৱে তিনি মহীয়া আৰু ছমহীয়া পাঠ্যক্ৰম সম্পূৰ্ণ কৰা ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যে মৈৰাবাৰী উন্নয়ন খণ্ডৰ খণ্ড বিষয়া ড° কাশ্মীৰা বেগমেও ছাত্ৰ ছাত্ৰীক উদ্দেশ্য কৰি কম্পিউটাৰ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু লাভালাভৰ সময়োপযোগী ভাষণ আগবঢ়োৱাই। ইপিনে ছফিকুৰ ৰহমানে কম্পিউটাৰ শিক্ষাৰ যথেষ্ট উদগনি মুলক ভাষণ প্ৰদান কৰে। পশ্চিম কাৰ্বি আংলং জিলা শিশু সুৰক্ষা গোটৰ চুপাৰভাইছৰ তথা মৈৰাবাৰীৰ যুৱক ফিৰুজ আহমেদে ভাষণত কয় যে কমট্ৰন কম্পিউটাৰ প্ৰতিষ্ঠানৰ সঞ্চালক ড° ৰাবুল ইবনে এ আহাদৰ তত্ত্বাৱধানত চলি থকা কমট্ৰন কম্পিউটাৰ প্ৰতিষ্ঠান খনত ছাত্ৰ-ছাত্ৰী সকলৰ উপকৃত হৈছে, বৰ্তমান যুগত কম্পিউটাৰ শিক্ষাটো অতি প্ৰয়োজনীয়। এই কম্পিউটাৰ শিক্ষা কেন্দ্ৰৰ সঞ্চালক ড° ৰাবুল ইবনে এ আহাদ কয় বিশেষকৈ অঞ্চলটোৰ যুৱক যুৱতী, ছাত্ৰ ছাত্ৰী সকলৰ সুবিধাৰ্থে প্ৰয়োজন পাঠ্যক্ৰম CCA, DCA, ADCA, PGDCA, GST TALLY, etc course এইখন প্ৰতিষ্ঠানত শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই পাঠ্যক্ৰম সমূহত যদি কোনোবাই নামভৰ্তি কৰিব বিচাৰে 9706841540 নম্বৰত যোগাযোগ কৰিব পাৰে।

# দুলীয়াজানত অইল সদৌ অসম টেনিছ চেম্পিয়নশ্বিপ শুভাৰম্ভণি

**অসম বাৰ্তা, দুলীয়াজান, ৮ ডিচেম্বৰ ঃ** দুলীয়াজানস্থিত জালনী টেনিছ কোৰ্টত আজিৰে পৰা আৰম্ভ হৈছে বহু অপেক্ষিত অইল সদৌ অসম টেনিছ চেম্পিয়নশ্বিপ। অহা ১০ ডিচেম্বৰ লৈকে অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাখনিত কেইবাখনো আকৰ্ষণীয় মেচ দেখিবলৈ পোৱা যাব। উদ্বোধনী অনুষ্ঠানটোত মুখ্য অতিথিৰূপে উপস্থিত থাকে অইলৰ ভাৰপ্ৰাপ্ত আৱাসিক মুখ্য বিষয়া মলয় কুমাৰ দাস, অইলৰ কেইবাজনো জ্যেষ্ঠ বিষয়া, সদৌ অসম টেনিছ সন্থাৰ সদস্যসকল আৰু আমন্ত্ৰিত অতিথিসকল উপস্থিত থাকে। আয়োজক সমিতিৰ উপাধ্যক্ষ ৰামানুজ দত্তৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা উদ্বোধনী অনুষ্ঠানটোৰ শেষত আয়োজক সম্পাদক বঞ্জিত গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়। উল্লেখ্য যে, এই বৰ্ষৰ উক্ত চেম্পিয়নশ্বিপত অসমৰ কেইবাগৰাকীও শীৰ্ষস্থানীয় জুনিয়ৰ টেনিছ খেলুৱৈয়ে অংশগ্ৰহণ কৰা দেখা গৈছে। ১৪ বছৰ অনূৰ্ধৰ ল'ৰা শাখাত ধনুশ মহন্ত আৰু নিবৰাজ কৌছাৰ



হুছেইন, ১৪ বছৰ অনূৰ্ধ্ব ছোৱালী শাখাত ধনীষ্কা মহন্ত আৰু আৰিযা মহিম চৌধুৰী, ১৮ বছৰ অনূৰ্ধ্ব ল'ৰা শাখাত চন্দ্ৰশেখৰ মহান্তী আৰু ৰামানুজ তালুকদাৰ, ১৮বছৰ অনূৰ্ধ্ব ছোৱালী শাখাত মুগাক্ষী চাংমাই, আৰু ১২ বছৰ অনূৰ্ধ্ব ল'ৰা শাখাত অয়ন ভৰালী, ধনুশ মহন্ত, আৰু অনিৰ্বাণ ডেকাই অংশগ্ৰহণ কৰিছে।ছটা শাখাত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাখনত প্ৰতিটো শাখাৰ বিজয়ীসকলৰ বাবে আকৰ্ষণীয় ধনৰ পুৰস্কাৰ আগবঢ়োৱা হৈছে। ল'ৰা আৰু ছোৱালীৰ ১২ বছৰৰ অনূৰ্ধ্ব শাখাৰ বাবে ৪৪০০০ টকা, ১৪ বছৰৰ অনূৰ্ধ্ব ল'ৰা আৰু ছোৱালীৰ বাবে ৫২০০০ টকা, আৰু ১৮ বছৰৰ অনূৰ্ধ্ব ল'ৰা আৰু ছোৱালীৰ বাবে ৫৮০০০ টকাকৈ পুৰস্কাৰ হিচাপে নগদ ধন দিয়া হ'ব। অইল সদৌ অসম জুনিয়ৰ টেনিছ চেম্পিয়নশ্বিপে ৰাজ্যখনৰ উদীয়মান ক্ৰীড়া প্ৰতিভাসমূহক গঢ়ি তোলাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে কাম কৰি আহিছে। লগতে, এই প্ৰতিযোগিতাৰ জৰিয়তে যুৱক-যুৱতীসকলৰ লগতে ক্ৰীড়া বিকাশৰ প্ৰসাৰত অইল ইণ্ডিয়া লিমিটেডৰ দায়বদ্ধতাক পুনৰায় প্ৰতিপন্ন কৰিছে।

# ৰূপহীহাটত বিলাসী বাহনসহ দুটাকৈ চোৰাং গৰু জব্দ

**অসম বাৰ্তা, ৰূপহীহাট, ৮ ডিচেম্বৰ ঃ** ৰূপহীহাটত চোৰাং গৰুৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। যোৱা নিশা ৰূপহীহাট আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি ৰূপহী তিনিআলীত চোৰাং গৰুৰ বিৰুদ্ধে চলায় অভিযান। তিনিজনীয়া চোৰৰ দল এটাই এএছ-০২-জেট-১৫৬৬ নম্বৰৰ এখন বিলাসী বাহনেৰে দুটাকৈ গৰু চুৰি কৰি লৈ আহি আছিল। ৰূপহী তিনিআলীত চোৰৰ দলটোৱে আৰক্ষীক দেখা পাই তীব্ৰ গতিত পলাবলৈ চেষ্টা কৰে। আৰক্ষীয়ে চোৰৰ গাড়ীৰ পিছে পিছে খেদি খেদি লাওগাঁও যায়। লাওগাঁৱত চোৰৰ দলটোৱে গাঁৱৰক্ষী বাহিনীৰ লোকক দেখা পাই গাড়ী এৰি আন্ধাৰৰ সুযোগ লৈ ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আৰক্ষীয়ে বিলাসী বাহনখনৰ পৰা দুটা গৰু ভৰি আৰু মুখ বন্ধা অৱস্থাত উদ্ধাৰ কৰে। ৰূপহীহাট আৰক্ষীয়ে পলাই যোৱা গৰুচোৰ কেইটাক বিচাৰি অভিযান অব্যাহত ৰাখিছে।

# তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ ৩৯ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন আৰু মুকলি সভা সম্পন্ন



**অসম বাৰ্তা, মাকুম, ৮ ডিচেম্বৰ ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদে জন্ম লগ্নৰে পৰা ৰাজ্য খনৰ বিভিন্ন জাতীয় সমস্যাৰ লগতে অসম চৰকাৰৰ বিভিন্ন বিভাগৰ শ্ৰমিক কৰ্মচাৰী, শিক্ষক -বিষয়া, আমোলাসকলৰ মৌলিক সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে। কৰ্মচাৰী সমাজখনৰ আস্থা, বিশ্বাস আৰু প্ৰত্যাশাৰে ৫২খন জিলা পৰিষদৰ লগতে বিভিন্ন সংস্থা -সংঘ-সন্থাৰ প্ৰতিনিধিৰে গঠিত একমাত্ৰ যৌথ সংগঠন হল সদৌ অসম কৰ্মচাৰী পৰিষদ। এই পৰিষদৰ অন্তৰ্গত এক শক্তিশালী জিলা গোট তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ ৩৯ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন আৰু মুকলি সভাখন মাকুম আঞ্চলিক কৰ্মচাৰী পৰিষদৰ আতিথ্যত মাকুমস্থিত বন ৰক্ষী বিদ্যালয়ৰ পেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰসন্ন কুমাৰ বৰুৱাৰ অধিৱেশনৰ মূল পতাকা উত্তোলনেৰে সাধাৰণ সম্পাদক বীৰেণ গগৈৰ স্মৃতি তৰ্পণেৰে অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। তাৰ পাছতে আমন্ত্ৰিত মাকুমৰ শিল্পী সমাজৰ দ্বাৰা মায়াবিনী গীতেৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। পৰৱৰ্তী পৰ্যায়ত মূল কাৰ্যসূচী প্ৰতিনিধি সকলৰ মাজত মুকলি সভা অনুষ্ঠিত কৰা হয়। আজিৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মা আৰু সম্পাদক প্ৰধান পংকজ বৰ্মনে। সভাপতি সম্পাদক দ্বয়ে মাকুমত উপস্থিত হোৱাৰ লগে লগে অধিৱেশন অভ্যৰ্থনা সমিতিয়ে ঢোলে-দগৰে আদৰি অনাৰ লগতে বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয়। সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাই সংবাদ মাধ্যমক সম্বোধন কৰি এন.পি.এচ আৰু অ.পি.এচৰ ওপৰত আলোচনা কৰা হ'ব, কৰ্মচাৰী পৰিষদৰ দাবীৰ ভিতৰত প্ৰথম দাবীটোৱে এন.পি.এচ বাতিল আৰু অ.পি.এচ বাহাল ৰাখিব লাগিব, অন্যথা এই বিষয়টোৰ পৰা আমি কাহানিও আঁতৰি নাযাওঁ, দ্বিতীয়টো দাবী অহা ০১/০১/২০২৬ তাৰিখে অষ্টম দৰমহা আয়োগ, যি দৰে কেন্দ্ৰীয় চৰকাৰে প্ৰয়োগ কৰিব, ঠিক তেনেদৰে আমাৰ ৰাজ্য চৰকাৰে অহা ০১ জানুৱাৰী ২০২৬ ৰ পৰা অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদন কাৰ্যকৰী কৰিব লাগিব, তৃতীয়টো দাবী শিক্ষকৰ ছুটি, ঠিকাভিত্তিত শিক্ষকৰ বেতন সুৰক্ষা কৰি চাকৰি স্থায়ী কৰা আদি কৰি কেইবাটাও দাবী সমূহৰ বিষয়ে জানিবলৈ দিয়ে। আজিৰ সভাত কেইবাগৰাকী অৱসৰ প্ৰাপ্ত কৰ্মচাৰীৰ একোখনি চেলেং আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হোৱাৰ লগতে অধিৱেশনৰ লগত সংগতি ৰাখি কেইবাগৰাকী কণ কণ দৰিদ্ৰ লৰা-ছোৱালীক খাদ্য বিতৰণ কৰা হয়। বিয়লি ভাগলৈ এখনি প্ৰতিনিধি সভা অনুষ্ঠিত কৰা হয় যদিও পূৰ্বৰ তিনিচুকীয়া জিলাৰ সমিতি খনেই বাহাল ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৩৯ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন খনি সফলতাৰে সম্পন্ন হোৱাত অভ্যৰ্থনা সমিতিৰ সভাপতি উৎপল বৰুৱা, কৰ্মচাৰী পৰিষদ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰসন্ন কুমাৰ বৰুৱা, সম্পাদক বীৰেণ গগৈ, মাকুম আঞ্চলিক সমিতিৰ সভাপতি লিখন দুৱৰা, সম্পাদক বীৰেণ কুমাৰ গগৈয়ে কৰ্মচাৰী পৰিষদৰ সকলোকে কৃতজ্ঞতা জনোৱা লগতে ধন্যবাদ জ্ঞাপন কৰে।

# বড়মপুৰ শংকৰদেৱ বিদ্যা নিকেতন গণিত আৰু বৈদিক গণিতৰ কৰ্মশালা

**অসম বাৰ্তা, বড়মপুৰ, ৮ ডিচেম্বৰ ঃ** নগাঁও বড়মপুৰ শংকৰদেৱ শিশু নিকেতনত শিশু শিক্ষা বিভাগৰ গণিত আৰু বৈদিক গণিতৰ কৰ্মশালাৰ আয়োজন। শিশু শিক্ষা সমিতি নগাঁও জিলাৰ ব্যৱস্থাপনাত দুদিনীয়া আয়োজন কৰে এই কৰ্মশালাৰ। এই কৰ্মশালাৰ জৰিয়তে বিদ্যা ভাৰতীৰ অন্তৰ্ভুক্ত শিক্ষক সকলক গণিত বিষয়টো ছাত্ৰ ছাত্ৰী সকলে কেনেদৰে উন্নত আৰু সহজ পদ্ধতিৰে আয়ত্ত কৰিব পাৰিব তাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। ইয়াৰ উপৰিও সাধাৰণ গণিত বিষয়ৰ লগতে পৌৰাণিক বৈদিক গণিতৰ প্ৰসাৰৰ ওপৰতো বিশেষ ভাৱে গুৰুত্ব প্ৰদান কৰিছে। উল্লেখ্য যে নগাঁও সংকুলৰ প্ৰায় ৪৭খন বিদ্যালয়ৰ ২ জনকৈ শিক্ষকক ৭জন সমল ব্যক্তিৰ দ্বাৰা এই প্ৰশিক্ষণ প্ৰদান কৰিছে।

পুৰণিগুদামলৈ গৌৰৱ কঢ়িয়ালে শংকৰদেৱ বিদ্যানিকেতনৰ ছাত্ৰী ৰাগিনী বৰাই

# ৩৬ সংখ্যক বিদ্যাভাৰতীৰ ৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতা-২০২৫ত উজ্জ্বলিল পূৰ্বোত্তৰ ক্ষেত্ৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ ডিচেম্বৰ ঃ** সদ্যসমাপ্ত বিদ্যাভাৰতীৰ ৩৬ সংখ্যক ৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত পূৰ্বোত্তৰ ক্ষেত্ৰৰ হৈ অংশগ্ৰহণ কৰা নগাঁও জিলাৰ পুৰণিগুদামস্থিত শংকৰদেৱ বিদ্যানিকেতনৰ ছাত্ৰী ৰাগিনী বৰাই ১৯ বছৰ অনুৰ্ধত কলাত্মক যুগল শাখাত ব্ৰঞ্জৰ পদক জয় কৰি অঞ্চলটোলৈ কঢ়িয়াই আনিলে গৌৰৱ। উত্তৰ প্ৰদেশৰ চুলতানপুৰৰ জ্ঞানকুঞ্জস্থিত স্বৰস্বতী বিদ্যামন্দিৰ উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা ২৬ নৱেম্বৰৰ পৰা ৩০ নৱেম্বৰলৈকে পাঁচদিনীয়া কাৰ্যসূচীৰে বিদ্যাভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানে আয়োজন কৰা উক্ত ৰাষ্ট্ৰীয় খেল প্ৰতিযোগিতাত পূৰ্বোত্তৰ ক্ষেত্ৰৰ পৰা যোৱা দলটোৱে চমকপ্ৰদ প্ৰদৰ্শন কৰাৰ লগতে ৩টা সোণসহ মুঠ ১৬ টাকৈ পদক বিজয়েৰে শিশু শিক্ষা সমিতি, অসম তথা পূৰ্বোত্তৰ ক্ষেত্ৰলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। প্ৰতিযোগিতাত পূৰ্বোত্তৰ ক্ষেত্ৰৰ ফলাফল অনুসৰি ১৪ বছৰ অনুৰ্ধত একক পৰম্পৰাগত যোগাসনত শংকৰদেৱ শিশু নিকেতন বৰপথাৰৰ দুই ছাত্ৰী ক্ৰমে অংকিত উপাধ্যায়ে আৰু ১৪ বছৰ অনুৰ্ধত কলাত্মক যুগল শাখাত প্ৰতিস্তুতি শইকীয়াই সোণ পদক লাভ কৰাৰ লগতে শংকৰদেৱ শিশু নিকেতন ৰূপহীৰ প্ৰথমা আইচে সোণ পদক লাভ কৰে। ঠিক সেইদৰে ১৭ বছৰ অনুৰ্ধৰ কলাত্মক যুগল শাখাত শংকৰদেৱ শিশু নিকেতন আমোলাপট্টিৰ ছাত্ৰী কৃষ্টি কন্যা গোস্বামী আৰু শংকৰদেৱ শিশু নিকেতন, ৰহাৰ ছাত্ৰী পৰিণীতা বৰাই ৰূপৰ পদক লাভ কৰে। ১৭ বছৰৰ অনুৰ্ধত একক পৰম্পৰাগত যোগাসনত শংকৰদেৱ শিশু নিকেতন বৰপথাৰ তনুশিখা ভূঞাই ৰূপৰ, ১৭ বছৰ অনুৰ্ধত কলাত্মক যুগল শাখাত বিক্ৰম জ্যোতি ফুকনে ৰূপৰ (শংকৰদেৱ শিশু নিকেতন, কাকডোঙা) আৰু গৌৰাঙ্গ হাজৰিকাই ৰূপৰ (শংকৰদেৱ শিশু নিকেতন মধুপুৰ), ১৯ বছৰ অনুৰ্ধত কলাত্মক যুগল শাখাত তনুশ্ৰী ডেকা আৰু ঝৰ্ণা দেৱীয়ে ৰূপৰ (শংকৰদেৱ শিশু নিকেতন, কপাহেৰা), ১৯ বছৰ অনুৰ্ধত কলাত্মক যুগল শাখাত বাৰ্বি চেতিয়া (শংকৰদেৱ শিশু নিকেতন, বৰহাট) আৰু ৰাগিনী বৰাই (শংকৰদেৱ বিদ্যানিকেতন, পুৰণিগুদাম) ব্ৰঞ্জৰ পদক লাভ কৰে। ১৪ বছৰ অনুৰ্ধত একক পৰাম্পৰাগত যোগাসনত যশস্যা নন্দিনী শৰ্মাই (বি, বি, চি, এম শ, শি, বি, নি, উত্তৰ লক্ষিমপুৰ) ব্ৰঞ্জৰ, ১৯ বছৰ অনুৰ্ধত কলাত্মক যুগল শাখাত কপিল গগৈ (শংকৰদেৱ শিশু নিকেতন, কাজিৰঙা) আৰু সনু পলে (সৰস্বতী বিদ্যানিকেতন, শ্ৰীভূমি) ব্ৰঞ্জৰ পদক লাভ কৰে। ১৯ বছৰ অনুৰ্ধত পৰম্পৰাগত একক শাখাত সৰস্বতী বিদ্যানিকেতন, শ্ৰীভূমিৰ সনু পালে ৰূপৰ পদক লাভ কৰে।

# লেংটিছিঙাৰ যুৱ সমাৰোহত সাংসদ ৰকিবুল হুছেইন

**অসম বাৰ্তা, অভয়াপুৰী, ৮ ডিচেম্বৰ ঃ** অভয়াপুৰীৰ লেংটিছিঙাত আজি কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনে টাপাট্টাৰী বিধানসভা সমষ্টি যুৱ কংগ্ৰেছ কমিটিৰ উদ্যোগত, টাপাট্টাৰী আৰু সৃজনগ্ৰাম ব্লক যুৱ কংগ্ৰেছ কমিটিৰ সহযোগত ভোট চুৰিৰ বিৰুদ্ধে এক যুৱ সমাৰোহত অংশ লয়। সমাৰোহত কংগ্ৰেছ নেতা ৰকিবুল হুছেইনে চৰকাৰক তীব্ৰ সমালোচনা কৰি কয় যে মুখ্যমন্ত্ৰী 'নাৰ্ভাচ' অৱস্থাত আছে আৰু ধাৰ লৈ ৰাজ্যখনক চলাইছে। ১০৮ এম্বুলেন্স কৰ্মীৰ সমস্যা সমাধানৰ বিপৰীতে চৰকাৰে আঘাত দিছে বুলি তেওঁ অভিযোগ তোলে লগতে জুবিন গাৰ্গৰ ন্যায়ৰ বিষয়ো উত্থাপন কৰে। আজিৰ যুৱ সমাৰোহত অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰো উপস্থিত থাকে।

# পলাহগড়ত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভেৰগাঁও জিলা শাখাৰ নৱম বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন আৰু মুকলি সভা সম্পন্ন

**অসম বাৰ্তা, টংলা, ৮ ডিচেম্বৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভেৰগাঁও জিলা শাখাৰ নৱম বাৰ্ষিক অধিৱেশনৰ পবিত্ৰ লাইখুঁটা আজি পলাহগড়ৰ কৌশিক সঙ্ঘৰ বাকৰিত জিলা শাখাৰ সভাপতি মাধৱ চন্দ্ৰ বৰুৱাই স্থাপন কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নীতি নিয়ম, গুৰু ঘোষা, দেৱ বাদ্য খোল তাল, আয়তীৰ উৰুলিৰ ধ্বনিৰে মুখৰিত কৰা লাইখুঁটা স্থাপন অনুষ্ঠানত বিমল ডেকাই দিহা নাম পৰিৱেশনেৰে ভক্তিৰে বিধৌত কৰে। ভেৰগাঁও জিলা শাখাৰ সম্পাদক নবীন চন্দ্ৰ ডেকা আৰু আদৰণী সমিতিৰ সম্পাদক বেলিৰাম বৰুৱাই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট ব্যক্তিৰ লগতে জিলা শাখাৰ বিষয়ববীয়া, বিভিন্ন প্ৰাথমিক শাখাৰ বাপ বান্ধৱ, আই মাতৃ শিশু, যুৱক - যুৱতী উপস্থিত থাকে। লাইখুঁটা স্থাপন অনুষ্ঠানৰ পিছতে ভেৰগাঁও জিলা শাখাৰ কেন্দ্ৰীয় নামঘৰ প্ৰাংগণত জিলা সভাপতি মাধৱ চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। জিলা সম্পাদক নবীন ডেকাই উদ্বোধন কৰা সভাত স্থানীয় শিল্পী বিনীতা ডেকা, ৰাজশ্ৰী ডেকা বড়ো, অণিমা ডেকা, টিনামনি ৰাভা আৰু বিমলা ডেকাই বৰগীত পৰিৱেশন কৰে। মুকলি সভাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সদস্য সন্তো ৰাম হাজৰিকা, ভেৰগাঁও জিলা শাখাৰ উপদেষ্টা বীৰেন চহৰীয়া, বিটিচিৰ পাৰিষদ অৰ্জুন দৈমাৰী, সমাজকৰ্মী জয়কান্ত শৰ্মা, জিলা সাহিত্য শাখাৰ সভাপতি খগেন্দ্ৰ নাথ চহৰীয়া, আই মাতৃ কল্যাণ সমিতিৰ সম্পাদিকা ভানুপ্ৰভা শইকীয়া, অৱসৰী কৃতী শিক্ষক সত্য ডেকা, বিশিষ্ট সমাজ সেৱক বলিৰাম ডেকাই ভাষণ দিয়ে। সভাত ভেৰগাঁও জিলা শাখাৰ উপ সভাপতি ইন্দ্ৰেশ্বৰ চহৰীয়া, শৰণাচাৰ্য মঙ্গল ৰাভা, পলাহগড় মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰণতি ডেকা, শিশু আই - মাতৃ কল্যাণ সমিতিৰ কেন্দ্ৰীয় সদস্যা কানন ডেকা, ভেৰগাঁও জিলা শিশু, আই -মাতৃ কল্যাণ সমিতিৰ সভানেত্ৰী মহিমাময়ী কছাৰী, ব্ৰহ্মানন্দ ভাগৱতী সমাজৰ শৰণাচাৰ্য বিনন্দ চন্দ্ৰ কোচ, গাঁও প্ৰধান বিজয় ডেকা, কেন্দ্ৰীয় সেৱা বাহিনীৰ উপ অধিনায়ক ধ্ৰুৱ ডেকা, ভেৰগাঁও জিলা শাখাৰ সেৱা বাহিনীৰ অধিনায়ক ৰূপ জ্যোতি দাস, টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱা, সম্পাদক শ্যামল কুমাৰ দাস, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক গৌৰী শংকৰ দাস, সাহিত্যিক খগেন্দ্ৰ নাথ বৰা, কৌশিক সঙ্ঘৰ সভাপতি ব্ৰহ্মানন্দ ডেকা, পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চৰ প্ৰণৱ ডেকা, ভেৰগাঁও জিলা শাখাৰ সাহিত্য, সংস্কৃতি, শিক্ষা, শিশু আই মাতৃ কল্যাণ সমিতি, নামঘৰ পৰিচালনা সমিতি, প্ৰচাৰ শাখাৰ বিষয়ববীয়া, ৩৫খন প্ৰাথমিক শাখাৰ বিষয় ববীয়া আৰু স্থানীয় ধৰ্মপ্ৰাণ ব্যক্তি উপস্থিত থাকে। পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ, বন্তি প্ৰজ্বলন, শৰাই নিবেদন, নাম প্ৰসংগ অনুষ্ঠিত হয়। উল্লেখ্য যে ভেৰগাঁও জিলা শাখাৰ টংলা মণ্ডলৰ অন্তৰ্গত টংলা, চাতিয়াপাৰা, চমুৱাপাৰা আৰু মিলনজ্যোতি প্ৰাথমিক শাখাই জিলা শাখাৰ নৱম বাৰ্ষিক অধিৱেশনখনি ২০২৬ চনৰ ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পলাহগড়ৰ কৌশিক সঙ্ঘৰ বাকৰিত আয়োজন কৰিছে। লাইখুঁটা স্থাপন আৰু মুকলি সভাত অংশগ্ৰহণ কৰি সফল কৰি তোলা বাবে নৱম বাৰ্ষিক অধিৱেশনৰ আদৰণী সমিতিৰ সভাপতি কুঞ্জলতা ডেকা, কাৰ্যকৰী সভাপতি কুলেন্দ্ৰ নাথ আৰু সম্পাদক বেলিৰাম বৰুৱাই সকলোকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# ওদালগুৰি জিলাৰ খৈৰাবাৰীত সদৌ বিটিআৰ বেংঙ্গলী যুৱ ছাত্ৰ ফেডাৰেশনৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিবেশনৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, খৈৰাবাৰী, ৮ ডিচেম্বৰ ঃ** সদৌ বি, টি, আৰ বেংঙ্গলী যুৱ-ছাত্ৰ ফেডাৰেশন আৰু খৈৰাবাৰী আঞ্চলিক বেংঙ্গলী যুৱ-ছাত্ৰ ফেডাৰেশনৰ যৌথ উদ্যোগত ২০২৬ চনৰ জানুৱাৰী মাহৰ ১০ আৰু ১১ তাৰিখত ওদালগুৰি জিলাৰ খৈৰাবাৰী গুৰিহাটী ৰাস মন্দিৰ প্ৰঙ্গণত অনুষ্ঠিত হব লগা দ্বাদশ দ্বি-বাৰ্ষিক অধিবেশনৰ আজি ধৰ্মীয় মাঙ্গলিক ৰীতি-নীতিৰ মাজেৰে লাইখুঁটা স্থাপন কৰে। লাইখুঁটা স্থাপন কৰে কেন্দ্ৰীয় সমিতিৰ সভাপতি হৰেন দাসৰ লগতে জগদীশ চৰকাৰ, শ্যামল চৰকাৰ আৰু কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা সকলে। লাইখুঁটা স্থাপন অনুষ্ঠানৰ পিচত খৈৰাবাৰী ৰাস মন্দিৰ প্ৰঙ্গণত এখন সম্বৰ্দ্ধনা সভা অনুষ্ঠিত কৰে। সম্বৰ্দ্ধনা সভাত কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা সকলৰ লগতে জিলাৰ বিভিন্ন বিশিষ্ট ব্যক্তিয়ে অধিৱেশন সম্পৰ্কত মত ব্যক্ত কৰে। সম্বৰ্দ্ধনা সভাত খৈৰাবাৰীৰ প্ৰতিশ্ৰুতি ডেঞ্চ এণ্ড আৰ্ট একাডেমী প্ৰশিক্ষক মাম্পু চৰকাৰৰ নৃত্যৰ দলে নৃত্য পৰিৱেশন কৰে। লাইখুঁটা স্থাপন অনুষ্ঠানত ৯টা আঞ্চলিক সমিতি আৰু খৈৰাবাৰী আঞ্চলিক সমিতিৰ বিষয়ববীয়া সকলৰ উপৰিও প্ৰায় ৫০০ সহস্ৰাধিক ৰাইজৰ উপস্থিতিত গুৰিহাটী ৰাস মন্দিৰ প্ৰঙ্গণত অনুষ্ঠিত হয় লাইখুঁটা স্থাপন আৰু সম্বৰ্দ্ধনা অনুষ্ঠান। সভাত বেংঙ্গলী যুৱ- ছাত্ৰ ফেডাৰেশনৰ প্ৰতিষ্ঠাপক সভাপতি জগদীশ চৰকাৰ, উপদেষ্টা মদন চন্দ্ৰ, হৰেন দাস মতিলাল দে, কেন্দ্ৰীয় সমিতিৰ সম্পাদক সুভম মজুমদাৰ, সদৌ বি টি আৰ বেংঙ্গলী ছাত্ৰ ফেডাৰেশনৰ উপদেষ্টা শ্যামল চৰকাৰ, কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি বৰ্জগোপাল চৰকাৰৰ উপৰিও ওদালগুৰি, ৰৌতা, আৰু খৈৰাবাৰী আঞ্চলিক সমিতিৰ বহু সংখ্যক কেন্দ্ৰীয় বিষয়ববীয়া উপস্থিত থাকে। জানুৱাৰী ১০ আৰু ১১ তাৰিখত অনুষ্ঠিত হব লগা সদৌ বি, টি, আৰ বেংঙ্গলী যুৱ -ছাত্ৰ ফেডাৰেশন অধিবেশনত অসমৰ প্ৰতিটো জাতি জনগোষ্ঠী লোকৰ দিহা পৰামৰ্শ, ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে উদযাপন সমিতিৰ বিষয়ববীয়া চঞ্চল দেৱনাথ, ৰবিন্দ দাস, চন্দন দেৱনাথ, মদন ৰাভা, প্ৰসান্ত আচাৰ্য, সঞ্জয় দাস, মাধৱ দেৱনাথ, পঙ্কজ চৰকাৰ আৰু শংকৰ দাসে।

১৫বছৰ আগৰ নগাঁও আৰু বৰ্তমানৰ নগাঁৱৰ মাজত আকাশ-পাতাল পাৰ্থক্য আহিছে

# নগাঁওখনক সদায় অসমৰ প্ৰথম স্থানত ৰখাৰ সপোন আছে ঃ বিধায়ক ৰূপক শৰ্মা



**অসম বাৰ্তা, নগাঁও, ৮ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি আৰু পথ নবীকৰণ আঁচনিৰ অধীনত নগাঁও -বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত কেইবাটাও পঞ্চায়তৰ বিভিন্ন স্থানত নতুনকৈ নিৰ্মাণ হ'বলগীয়া ১৩ টাকৈ পথৰ আধাৰশিলা স্থাপন কৰা হয়। আধাৰশিলা স্থাপন কৰি বিধায়ক ৰূপক শৰ্মাই নিজৰ ভাষণত কয়- নগাঁও-বটদ্ৰৱা সমষ্টিৰ বৰ্তমানৰ পৰিসৰ বৃদ্ধি হ'ল। পূৰ্বৰ সদৰ সমষ্টি আছিল আৰু এতিয়া নগাঁও-বটদ্ৰৱা সমষ্টি হ'ল। আজি আমি কেইবাটাও পথৰ আধাৰশিলা কৰিছো। চাৰিটা দিনত ৫৩টা পকীপথৰ আধাৰশিলা কৰা হৈছে। আজি যি পথৰ আধাৰশিলা কৰিলো সেইটো এটা মঠাউৰি। প্ৰকৃততে লোকনিৰ্মাণ বিভাগে মথাউৰিৰ ওপৰত পকী পথৰ কাম নকৰে। কিন্তু বৰ্তমানৰ কৰ্মোদ্যমী মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত তথা কাম কৰাৰ যি মানসিকতা তেওঁ মথাউৰিৰ ওপৰতো পকীপথ নিৰ্মাণৰ বাবে কাম হাতত দিছে। আজিৰ পৰা ১৫ বছৰৰ আগতে নগাঁৱৰ কি ৰূপ আছিল সেইয়া নগাঁৱৰ ৰাইজে দেখিছিল। কিন্তু বৰ্তমান নগাঁৱৰ কি ৰূপ সেইয়াও প্ৰতিজন ৰাইজে দেখা পাইছে। নগাঁও বাসী ৰাইজৰ বাবে এটা বৰ ভাল খবৰ যে অহা ডিচেম্বৰৰ শেষত বা জানুৱাৰী মাহৰ প্ৰথম সপ্তাহতে বটদ্ৰৱা প্ৰকল্পটি আনুষ্ঠানিকভাবে দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহে মুকলি কৰিব। বৰ্তমান নগাঁওখন সকলো দিশতে আগবঢ়াই নিবলৈ চেষ্টা কৰিছো। নগাঁৱৰ শিৱনগৰত বৰ্তমান কাম সম্পূৰ্ণ হোবাৰ পথত ডঃভূপেন হাজৰিকা কলাক্ষেত্ৰৰ। আৰু কিছু দিনৰ পাছতে ডঃভূপেন হাজৰিকা কলাক্ষেত্ৰৰ মুকলি কৰিবহি মুখ্যমন্ত্ৰীয়ে। আমাৰ নগাঁৱৰ ঐতিহ্যমণ্ডিত নেহৰুবালীত বৰ্তমান যি পৰিবেশ হৈছে সেই পৰিবেশটো ডঃভূপেন হাজৰিকা কলাক্ষেত্ৰটো থাকিব। নেহৰুবালীত ৰাইজে এতিয়া মুকলিকৈ খোজ কাঢ়িব পৰা ব্যৱস্থা হৈছে। তাত এক সুন্দৰ পৰিবেশে বিৰাজ কৰিছে। ঠিক সেইদৰে মৰিকলং বিলৰ পাৰতো আন এখন উৰাকিং জনৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। আমি কেৱল এটাই চিন্তা কৰি আহিছো যে অসমৰ ভিতৰত নগাঁওখন সদায় প্ৰথম স্থানত থাকিব পাৰে। উল্লেখ যে, দীৰ্ঘদিনৰ পৰা অতি জৰাজীৰ্ণ অৱস্থাত থকা পূৰ্বৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত শিৱনগৰ-কলংপাৰ মথাউৰি পথৰ বাসীন্দা সকলৰ লগতে উন্নয়ন সমিতিয়ে বিধায়ক ৰূপক শৰ্মাক এই পদক্ষেপৰ বাবে কৃতজ্ঞতা জনাইছে। আজিৰ এই আধাৰশিলা অনুষ্ঠানত লোকনিৰ্মাণ বিভাগৰ সংমণ্ডল বিষয়া বীৰেন দাস, নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, পঞ্চায়ত প্ৰতিনিধি সকল, নগাঁও পৌৰসভাৰ সভানেত্ৰী অম্বিকা মজুমদাৰ, উপাধ্যক্ষ সিমান্ত বৰা, লোকনিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰী সকল, পৌৰ আয়ুক্ত সকলৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। আজি আধাৰশিলা স্থাপন কৰা পথসমূহ ক্ৰমে- পলাশনি চাৰিআলিৰ পৰা ন আলী পথ (লতাই মাৰীৰ দিশে ), পলাশনিৰ পৰা বামুণগাঁও সংযোগী পথ, দেওধৰ চেঁচামুখ পথ, (কৰৈয়নীৰ পৰা দেওধৰলৈ), কৰৈয়নীৰ পৰা গধৰিয়া সংযোগী পথ, গধৰিয়াৰ পৰা গধৰিয়া কৰৈয়নী সংযোগী পথ, পানীগাঁও ডিফলু বৰমা পথ (কহালীগাঁৱৰ পৰা হালোৱা গাঁৱলৈ), হালোৱাগাঁও উপৰকুৰি তিনিআলিৰ পৰা ভেটিচুকলৈ (কে কে মুদৈ বাসগৃহ পৰ্যন্ত), মৰঙ্গীয়াল গাঁৱৰ পৰা বঢ়মপুৰ তিনিআলি দলং সংযোগী পথ, আউনীআটী চাৰিআলিৰ পৰা নৰ্তম গাঁও সংযোগী পথ, চেঁচামুখ শিৱ মন্দিৰ পথ, বিষ্ণু ৰাভা পথ(চেণ্টেল স্কুলৰ সমীপত), শেৱালি পথ(৭ নং উপপথ), আমোলাপট্টিৰ শিৱ মন্দিৰৰ পৰা কলংপাৰৰ ডিফলু পকী দলং সংযোগী পথ। উল্লেখ যে, বিধায়ক ৰূপক শৰ্মা বিগত চাৰিটা দিনত নগাঁও-বটদ্ৰৱা সমষ্টিৰ ৫৩টাকৈ পথৰ আধাৰশিলা কৰাৰ পদক্ষেপ হাতত লৈছে।

# মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত "শস্য বীমা সপ্তাহ" পালন



**অসম বাৰ্তা, মাজুলী, ৮ ডিচেম্বৰ ঃ** মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত মাজুলী আৰু উজনি মাজুলী উন্নয়ন খণ্ডৰ অধীনৰ বিভিন্ন স্থানত ৫ ডিচেম্বৰৰ পৰা "প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা" (PMFBY) আঁচনিৰ অধীনত আয়োজিত হয় "শস্য বীমা সপ্তাহ" (Crop Insurance Week)। ৫ ডিচেম্বৰৰ পৰা ১১ ডিচেম্বৰলৈকে পুৱা ১১ বজাৰ পৰা বিভিন্ন স্থানত এই সপ্তাহজোৰা কাৰ্যসূচী বিভাগৰ দ্বাৰা পালন কৰা হ'ব। সেই অনুসৰি, ৫ ডিচেম্বৰত জেংৰাইমুখ কৃষক উৎপাদক কোম্পানীৰ কাৰ্যালয়ত এই কাৰ্যসূচী অনুষ্ঠিত হয়। ৫ ডিচেম্বৰত অনুষ্ঠিত অনুষ্ঠানত অংশ লৈ জিলা কৃষি বিষয়া নাছেৰ ইকবাল ৰেজাই সকলো কৃষকক কৃষি ক্ষেত্ৰত আধুনিক কৃষি পদ্ধতি প্ৰয়োগ, কৃষিভূমিত সাৰ প্ৰয়োগকে আদি কৰি বিভিন্ন কৃষি সম্বন্ধীয় বিষয় সন্দৰ্ভত দিহা-পৰামৰ্শ আগবঢ়ায়। তদুপৰি, আগন্তুক আলু, সৰিয়হ আৰু বৰো ধানৰ খেতিৰ বাবে নিজৰ নিজৰ কৃষিভূমিৰ বীমা কৰিবলৈও তেওঁ কৃষকসকলক আহ্বান জনায়। অনুষ্ঠানত জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ভাস্কৰজ্যোতি ফুকনে ভাষণ প্ৰদান কৰি কৃষক ৰাইজক কৃষি বীমাৰ প্ৰয়োজনীয়তা, ইয়াৰ প্ৰক্ৰিয়া তথা লাভালাভ সন্দৰ্ভত পৰামৰ্শ আগবঢ়ায়। তদুপৰি, তেওঁ খেতি নষ্ট হোৱাৰ পিছত বীমাকৃত শস্যৰ ক্ষতিপূৰণ লাভ কৰিবলৈ গ্ৰহণ কৰিবলগীয়া পদ্ধতি সন্দৰ্ভতো বিস্তৃতভাৱে কৃষকসকলক অৱগত কৰে। কৃষি উন্নয়ন বিষয়া ৰাজা ফুকনেও কৃষক সকলক উদ্দেশ্যি শস্য বীমাৰ গুৰুত্ব সন্দৰ্ভত অৱগত কৰি এই ক্ষেত্ৰত কেনেদৰে কৃষকে শংকাহীনভাৱে থাকিব পাৰে সেই সন্দৰ্ভত উল্লেখ কৰে। লগতে তেওঁ কৃষক ৰাইজক অহা ৩১ ডিচেম্বৰৰ ভিতৰত আলু আৰু সৰিয়হ খেতিৰ বীমা আৰু অহা ফেব্ৰুৱাৰীৰ ভিতৰত বৰো খেতিৰ বীমা কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে কৃষকৰ কল্যাণৰ হকে কেন্দ্ৰীয় চৰকাৰে "প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা" (PMFBY) শীৰ্ষক কৃষক কল্যাণকামী আঁচনিখন গ্ৰহণ কৰিছিল। এই আঁচনিৰ দ্বাৰা মাত্ৰ ১০০ টকাত ১ হে'ৰ কৃষিভূমি বীমা কৰা হয়। এই আঁচনিৰ অধীনত শস্য বীমা কৰা কৃষকৰ কোনো শস্য যদিহে প্ৰাকৃতিক দুৰ্যোগ অথবা কীট-পতংগৰ দ্বাৰা অনিষ্ট সাধন হয়, তেন্তে এই আঁচনিৰ অধীনত তেওঁলোকে উচিত ক্ষতিপূৰণ লাভ কৰিবলৈ সক্ষম হ'ব। এই "শস্য বীমা সপ্তাহ" কাৰ্যসূচীত অংশ লৈ কৃষক ৰাইজে বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু বীমা কোম্পানীৰ বিষয়ববীয়াৰ পৰা পোনপটীয়াকৈ "প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা" আঁচনিখনৰ বিষয়ে সবিশেষ জানিবলৈ পোৱাৰ লগতে আঁচনিৰ অধীনস্থ জাননীকৃত শস্যসমূহৰ বীমাকৰণৰ জৰিয়তে আঁচনিৰ সুবিধা লাভ কৰিবলৈও সক্ষম হ'ব। সেয়েহে উক্ত কাৰ্যসূচীত কৃষক ৰাইজৰ অংশগ্ৰহণ আৰু সহযোগিতা জিলা কৃষি বিভাগে আন্তৰিকতাৰে কামনা কৰাৰ লগতে বিশদ জানিবলৈ জিলা কৃষি কাৰ্যালয়, সামূহিক সেৱা কেন্দ্ৰ, এছ বি আই জেনেৰেল ইন্সুৰেন্স কোম্পানীৰ বিষয়ববীয়াৰ সৈতে যোগাযোগ কৰিবলৈও আহ্বান জনাইছে। তদুপৰি, ফচল বীমাৰ সৈতে জড়িত যিকোনো জাননীৰ বাবে কৃষি সুৰক্ষা হেল্পলাইন নম্বৰ ১৪৪৪৭ ত যোগাযোগ কৰিবলৈও আহ্বান জনাইছে। জেংৰাইমুখ কৃষক উৎপাদক কোম্পানীৰ কাৰ্যালয়ত অনুষ্ঠিত অনুষ্ঠানত সহকাৰী কৃষি পৰিদৰ্শক গিৰীশ মলিয়া, এটিএম মাধৱ পেগু, এছবিআই জেনেৰেল ইন্সুৰেন্স কোম্পানীৰ বিষয়ববীয়া, কৃষি সখী তথা ভালেসংখ্যক কৃষক ৰাইজ উপস্থিত থাকে।

# যোৰহাট পুলিবৰত সাংস্কৃতিক প্ৰকল্প প্ৰতিষ্ঠাৰ বাবে ভূমিদান, সমিতি গঠন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৮ ডিচেম্বৰ ঃ** যোৰহাট পুলিবৰ ব্ৰাহ্মণ গাঁৱত অৰ্পণা আৰু সুশীলা দেৱী সাংস্কৃতিক প্ৰকল্প প্ৰতিষ্ঠাৰ বাবে অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, শিল্পী নৰেন পূজাৰীয়ে প্ৰায় তিনিকঠা ভূমি দানৰূপে আগবঢ়াইছে। এই উদ্দেশ্যে আজি যোৰহাট উন্নয়ন প্ৰাধিকৰণৰ সভাপতি প্ৰশান্তজ্যোতি গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাত বীৰেন্দ্ৰ নাথ পূজাৰীক সভাপতি, গজেন্দ্ৰনাথ তামোলীক কাৰ্যকৰী সভাপতি, প্ৰভাত তামোলীক উপ-সভাপতি, অচিন্ত্য শৰ্মাক মুখ্য সম্পাদক, ৰঞ্জিত পূজাৰী, পল্লৱ পৰাশৰক যুটীয়া সম্পাদক, প্ৰণৱ ভট্টাচাৰ্যক কোষাধ্যক্ষ, প্ৰশান্ত তামোলীক আইনী উপদেষ্টা, ভূমিদাতা নৰেন পূজাৰীক মুখ্য উপদেষ্টা, ১৪ গৰাকীক সদস্য-সদস্যা হিচাপে লৈ সমিতিখন আজি গঠন কৰা হয়। ভালেকেইটা প্ৰস্তাৱ, সিদ্ধান্ত গ্ৰহণ কৰা সভাখনতে সাংস্কৃতিক প্ৰকল্পৰ বাবে বহুকেইগৰাকী ব্যক্তিয়ে নগদ ধন প্ৰদান কৰাৰ উপৰি দ-ভূমি খণ্ডত মাটি ভৰাবৰ বাবে বহুকেইগৰাকীয়ে পৃথকে ধন আগবঢ়াইছে। উল্লেখ্য, উক্ত ভূমি খণ্ডতে গণেশজ্যোতি নাট্য মন্দিৰ নামৰ এটি অনুষ্ঠান ইতিপূৰ্বে আছিল আৰু সেই মন্দিৰতে শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসপূজাৰ লগতে নাটক আদিও প্ৰদৰ্শিত হৈছিল। দুৰ্গাপ্ৰসাদ বৰুৱা সভাপতি, যোগেন চন্দ্ৰ পূজাৰী সম্পাদকৰূপে থকা অনুষ্ঠানটো ১৯৬০ চনমানতে বন্ধ হৈ গৈছিল। ভূমিৰ গৰাকী নৰেন পূজাৰীয়ে সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ বাবে ভূমি খণ্ড আগবঢ়োৱাত তেওঁক ৰাজহুৱাভাৱে ধন্যবাদ জনাইছে আৰু সৰ্বাংগ সুন্দৰকৈ প্ৰকল্প নিৰ্মাণ কৰি সাংস্কৃতিক কাৰ্যক্ৰম ৰূপায়ণৰ বাবে অঞ্চল ভিত্তিত সমিতিখন গঠন কৰা হৈছে।

## দেৰগাঁৱৰ কমাৰগাঁও আৰু আফুৱা গাঁৱত বাঘৰ আতংক

**অসম বাৰ্তা, দেৰগাঁও, ৮ ডিচেম্বৰ ঃ** আজি কেইবাদিন ধৰি এটা বাঘে দেৰগাঁৱৰ বিভিন্ন কৃষি প্ৰধান অঞ্চলৰ ৰাইজৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি অহাৰ তথ্য পোৱা গৈছে। উল্লেখ্য যে, কমাৰগাঁও আৰু আফুৱা গাঁৱত বাঘৰ আতংক আৰম্ভ হোৱাৰ পূৰ্বে ইয়াৰ কাষৰীয়া ভকতীয়া, ফেটা গাঁও, হলৌ গাঁও আৰু বঙ্গালগাঁৱত বাঘে মুক্ত বিচৰণ কৰা ৰাইজে প্ৰত্যক্ষ কৰিছিল। জানিব পৰা মতে, আজি কমাৰগাঁও আৰু আফুৱা গাঁৱৰ কেন্দ্ৰবিন্দুত পুৱা ভাগত অঞ্চলটোৰ এটা পৰিয়ালৰ ছাগলী বাঘে লৈ যোৱাৰ প্ৰত্যক্ষ কৰিছে ৰাইজে। বাঘৰ খবৰ ওলোৱাত ৰাইজ গ্ৰভীৰ চিন্তাত পৰিছে। ইতিমধ্যে অঞ্চলটোত বন বিভাগৰ দল উপস্থিত হৈ বাঘ উদ্ধাৰৰ অভিযান আৰম্ভ কৰিছে যদিও এই পযন্ত বাঘৰ কোনো সন্ধান লাভ কৰা নাই।

সাংবাদিক নীলমনি শৰ্মাৰ গ্ৰন্থ "বাতৰি বৈভৱ" সহ ছখন গ্ৰন্থ উন্মোচন

# গ্ৰন্থৰ সুৱাস বিলাই সামৰণি পৰিল ২য় বাৰ্ষিক কৃষ্ণাই গ্ৰন্থমেলা ২০২৫




**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৮ ডিচেম্বৰ ঃ** মফচলীয়া অঞ্চলতো যে সফলতাৰে গ্ৰন্থমেলা অনুষ্ঠিত কৰিব পাৰি সেইয়া পুনৰ বাৰ প্ৰমাণ কৰি দেখুৱালে কৃষ্ণাই সুৰভি সাহিত্য গোষ্ঠী তথা কৃষ্ণাইবাসী ৰাইজে। গ্ৰন্থৰ সুৰভিৰে সুবাসিত হৈ পাঁচদিনীয়াকৈ অনুষ্ঠিত হোৱা কৃষ্ণাই গ্ৰন্থমেলাৰ দেওবাৰে সফল সামৰণি পৰে। পশ্চিম গোৱালপাৰা সমজিলা প্ৰশাসন আৰু সুৰভি সাহিত্য গোষ্ঠীৰ উদ্যোগত তথা স্থানীয় দল সংগঠনৰ পূৰ্ণ সহযোগিতাৰে ৩ ডিচেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈ অনুষ্ঠিত হোৱা দ্বিতীয় সংখ্যক কৃষ্ণাই গ্ৰন্থমেলাৰ শেষৰটো দিনত অনুষ্ঠিত হয় কেইবাটাও আকৰ্ষণীয় অনুষ্ঠান। দিনৰ ভাগত অনুষ্ঠিত হয় কেৰিয়াৰ গাইডেন্স আৰু কাউন্সিলিঙ শীৰ্ষক এক অনুষ্ঠান। শিক্ষাৰ্থী তথা উঠি অহা নৱ প্ৰজন্মৰ বাবে "মাধ্যমিক আৰু স্নাতক শিক্ষাৰ্থীৰ ভৱিষ্যত শিক্ষা আৰু সংস্থাপন" শীৰ্ষক কেৰিয়াৰ গাইডেন্সৰ বিষয় এটিৰ ওপৰত আলোকপাত কৰা হয়। এই অনুষ্ঠানৰ সঞ্চালনা কৰে কেৰিয়াৰ পৰামৰ্শদাতা ড° বুলজিৎ বুঢ়াগোহাঁইয়ে। ইয়াৰ পিছত অনুষ্ঠিত হয় কৃষ্ণাই গ্ৰন্থমেলাৰ সামৰণি মুকলি সভা। ড° নজৰুল ইছলামে সভাপতিত্ব কৰা অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম গৌৰৱ বঁটা প্ৰাপক ড° যোগেশ দেউৰী। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে হাব্ৰাঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণ্টু কুমাৰ দাস, লক্ষ্মীপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কাশ্যপ বিশ্বাস, আগিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উৎপল দাস আৰু বিশিষ্ট সাহিত্যিক এম আব্দুল মজিদ খান। বিশিষ্ট অতিথি সকলে ডিজিটেল যুগতো গ্ৰন্থই কিদৰে সমাজৰ উপকাৰ সাধন কৰে সেই সন্দৰ্ভত সুন্দৰকৈ ব্যাখ্যা আগবঢ়াই ৰাইজৰ সৈতে মত বিনিময় কৰে। পশ্চিম গোৱালপাৰা সমজিলা প্ৰশাসনৰ এই মহান প্ৰচেষ্টাৰ শলাগ লয় সকলোৱে। আজিৰ এই সভাতেই সাংবাদিক নীলমণি শৰ্মাৰ প্ৰায় ২৫টা বছৰৰ সাংবাদিকতা জীৱনৰ বছা বছা বাতৰিৰে সমৃদ্ধ "বাতৰি বৈভৱ" নামৰ গ্ৰন্থখনিও উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে পশ্চিম গোৱালপাৰা সমজিলাৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠকে। ইয়াৰ লগতে দ্বিতীয় সংখ্যক কৃষ্ণাই গ্ৰন্থমেলাৰ বাকৰিত মুঠ ৬ খনকৈ কবিতা পুথি আৰু গ্ৰন্থ উন্মোচন কৰা হয়। এইবেলি গ্ৰন্থমেলাত নৱপ্ৰজন্মৰ যুৱক যুৱতী বিদ্যালয় মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ উৎসাহজনক সঁহাৰিৰে প্ৰতিখন গ্ৰন্থ বিপনীয়ে বহু সংখ্যক গ্ৰন্থ বিক্ৰী কৰিবলৈ সমৰ্থ হয়।

# অগপৰ অভয়াপুৰী বিধান পৰিষদে বৰঘোলাত অনুষ্ঠিত কৰিব শ্বহীদ দিৱস

**অসম বাৰ্তা, অভয়াপুৰী, ৮ ডিচেম্বৰ ঃ** অগপৰ অভয়াপুৰী বিধান পৰিষদে অহা ১০ ডিচেম্বৰত বিধান সভা সমষ্টি ভিত্তিক ভাৱে বৰঘোলাত শ্বহীদ দিৱস পাতিব। আজি তুলুঙীয়া মিলন সংঘত অভয়াপুৰী বিধান পৰিষদৰ এখন সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিধান পৰিষদৰ সভাপতি পূৰ্ণেন্দু বনিক্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সেই সভাখন অভয়াপুৰীত এখন গণ সমাৱেশ আয়োজন কৰাৰো সিদ্ধান্তগ্ৰহণ কৰা হয়। সেই সভাত অভয়াপুৰী বিধান সভা সমষ্টিৰ আওতাত পৰা ২৩খন আঞ্চলিক সমিতি আৰু অগপৰ অভয়াপুৰী নগৰ সমিতিৰ বিষয়ববীয়া, নেতা কৰ্মীয়ে অংশগ্ৰহণ কৰে আৰু প্ৰায়বোৰ সমিতিৰ তৰফৰ পৰা দলীয় বক্তব্য ৰাখে। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি অগপৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক ভূপেন ৰায়ে কয় যে অগপ দ'লৰ প্ৰতীক চিহ্ন হাতীটোৰ চাৰিখন ঠেংৰ ভিতৰত এখন যুৱ পৰিষদ, আন এখন মহিলা পৰিষদ, এখন কৃষক পৰিষদ আৰু আনখন হ'ল ছাত্ৰ পৰিষদ। সম্প্ৰীতি চাৰিওটা ভাতৃ সংগঠনৰ সাংগঠনিক স্থিতি মজবুত। ইয়াৰ উপৰি নতুন প্ৰজন্মই অগপ আঁকোৱালি লোৱাটো অগপৰ কাৰণে এটা শুভ লক্ষণ। অভয়াপুৰী বিধান সভাৰ আওতাত পৰা ২৪১টা ভোটগ্ৰহণ কেন্দ্ৰৰ আটাইবোৰত অগপৰ বুথ সমিতি আছে, দলীয় নেতা কৰ্মী আছে। এই সমিতি সমূহ থকাৰ মূলতে হ'ল অগপই ধৰ্ম নিৰপেক্ষতাৰ চৰিত্ৰ অক্ষুণ্ণ ৰাখিব পৰাটো। ভাষণ প্ৰসংগত তেওঁ আৰু কয় যে সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতিৰ কাৰণে বিভিন্ন দ'লৰ পৰা অগপত যোগদান কৰিব ধৰিছে। সভাত অগপ নেতা কেশৱ দেৱ শৰ্মা, উমেশ ঠাকুৰীয়া, হেম ৰায়, দুলাল শীল, প্ৰমোদ ৰায়, নিৰঞ্জন দাস, হিৰণ ৰায় .দিবাকৰ নাথ, নাছিৰ উদ্দিন আহমেদ, নেত্ৰী জানকী ৰায়, নাছিমা বেগম, হিমাদ্ৰী দেৱী বৰুৱা, নন্দিতা দাসকে ধৰি আন বহু নেতা কৰ্মী উপস্থিত থাকে।

# পুৰণিগুদামত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত জুবিন গাৰ্গ সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ উদ্যোগত আৰু পুৰণিগুদামবাসী ৰাইজৰ সহযোগত পৰিষদৰ প্ৰাক্তন



সতীৰ্থ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত আজিৰে পৰা অনুষ্ঠিত হৈছে প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। আজিৰ পুৱা কাৰ্যসূচী অনুসৰি ১০ বজাত পতাকা উত্তোলন কৰে আঞ্চলিক সমিতিৰ সভাপতি প্ৰাণকৃষ্ণ ডেকাই, ১০-৩০ বজাত শ্বহীদ তৰ্পণ কৰে আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক মাহমুদৰ ৰহমানে, বিয়লি ১ বজাত পৰিষদৰ প্ৰাক্তন সতীৰ্থ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ লগতে সুধাকণ্ঠ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি প্ৰবাল শৰ্মাই। ইয়াৰ পাছতে প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন শুভ উদ্বোধন কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বনিয়াই। লগতে উপস্থিত সকলোৱে "মায়াবিনী ৰাতিৰ বুকুত" শীৰ্ষক গীত পৰিবেশন কৰা হয়। আজি উদ্বোধনী খেলখনত পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ে চামগুৰি মহাবিদ্যালয়ক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আজিৰ উদ্বোধনী খেলখনত উপস্থিত থাকে চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড' ইন্দ্ৰজিৎ বেজবৰুৱা, সমাজকৰ্মী ৰঞ্জিত বৰা, যুৱনেতা বিভূতিভূষণ বৰঠাকুৰ, অধ্যাপক হিৰণ্য কুমাৰ শৰ্মা, প্লাৱন বৰুৱা, অকন্তি বৰা, উজ্জ্বল বৰুৱা, প্ৰভাত কলিতা, দীগেন গায়নৰ লগতে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ উপদেষ্টা পাৰ্থপ্ৰতিম বৈৰাগী, উপ-সভাপতি চন্দন ফুকন, যুটীয়া সম্পাদকদ্বয় ক্ৰমে দিব্যজিত হাজৰিকা, দীপাংকৰ শৰ্মা, সাংগঠনিক সম্পাদক ৰাচীফ আলম, ক্ৰীয়া সম্পাদক চন্দন বনিয়া, প্ৰচাৰ সম্পাদক দিজু বনিয়া, অজয়জ্যোতি বৰুৱাৰ লগতে কেইবাশতাধিক লোকে আজিৰ খেলখন উপভোগ কৰে।

# ডিব্ৰুগড়ৰ লাহোৱাল প্ৰেছ ক্লাবৰ তেইশ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৮ ডিচেম্বৰ ঃ** বিগত বৰ্ষৰ দৰেই এইবাৰো ডিব্ৰুগড়ৰ বৃহত্তৰ লাহোৱাল অঞ্চলৰ একমাত্ৰ সংবাদসেৱী প্ৰতিষ্ঠান লাহোৱাল প্ৰেছক্লাবৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱসটি ৭ ডিচেম্বৰ দেওবাৰে বিস্তৃত কাৰ্যসূচীৰে লাহোৱাল এছ কে এছ ইংলিছ একাডেমীত উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত লাহোৱাল প্ৰেছক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি হোমেন ফুকনে। ৯.১৫ বজাত স্মৃতি তৰ্পণ কৰে সম্পাদক দিবাকৰ দত্তই। প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছতেই বৃক্ষৰোপণ কৰে, লাহোৱাল প্ৰেছক্লাবৰ উপদেষ্টা ক্ৰমে ভূষণজ্যোতি সন্দিকৈ, কৰ্ণৌজ শইকীয়া আৰু মুক্তামণি হাজৰিকাই। পুৱা এঘাৰ বজাৰ পৰা আৰম্ভ হোৱা মুকলি সভাত সভাপতিত্ব কৰে ক্লাবৰ সভাপতি হোমেন ফুকনে। প্ৰেছক্লাবৰ সম্পাদক দিবাকৰ দত্তই উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতেই সংগীত শিল্পী পিংকু কাশ্যপৰ তত্ত্বাৱধানত হ'লিনেম মিউজিক চেণ্টাৰৰ কণ কণ শিল্পীসকলে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ 'মায়াবিনি ৰাতিৰ' শীৰ্ষক গীতটো পৰিৱেশন কৰাৰ লগতে শুভ্ৰজিৎ পাইকে পৰিৱেশন কৰা গীতে উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী, সমাজ সংগঠক, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ কেন্দ্ৰীয় উপ-সভাপতি অজয় গগৈক লাহোৱাল প্ৰেছক্লাবৰ তৰফৰ পৰা সম্বৰ্ধনা জনাই এখনি গামোছা, চেলেং, জাঁপি, শৰাই আৰু সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা হয়। ভাষণ প্ৰসংগত অজয় গগৈয়ে লাহোৱাল প্ৰেছক্লাবৰ সক্ৰিয় আৰু বলিষ্ঠ কৰ্মপন্থাৰ শলাগ লয় আৰু আগন্তুক ৰূপালী জয়ন্তী অনুষ্ঠানৰ বাবে তেওঁ একলাখ টকা আৰু সকলো সহায়-সহযোগ কৰিব বুলি ঘোষণা কৰে। লাহোৱাল প্ৰেছক্লাবৰ উপদেষ্টা প্ৰতিষ্ঠা কালৰপৰা জড়িত জ্যেষ্ঠ সাংবাদিক ক্ৰমে ভূষণজ্যোতি সন্দিকৈ, কৰ্ণৌজ শইকীয়া, মুক্তামণি হাজৰিকা আদিয়ে লাহোৱাল প্ৰেছক্লাবৰ প্ৰতিষ্ঠাৰ প্ৰথম দিনটো, জড়িত ব্যক্তিসকল তথা বিগত সময়ৰ সকলো উত্থান-পতনৰ কথা সোঁৱৰে। উল্লেখ্য যে, ৰূপালী জয়ন্তী উপলক্ষে প্ৰেছক্লাবৰ প্ৰতিগৰাকী সাংবাদিকৰ একোখনকৈ গ্ৰন্থ প্ৰকাশ কৰাৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰে সভাপতি হোমেন ফুকনে। সভাত উপস্থিত থকা লাহোৱাল অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী, এছ কে এছ ইংলিছ একাডেমীৰ স্বত্বাধিকাৰী দয়ানন্দ শ্বাহ, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই প্ৰমুখ্যে কেইবাগৰাকী সাংবাদিকে মূল্যৱান বক্তব্য আগবঢ়ায়। শলাগৰ শৰাই আগবঢ়ায় ক্লাবৰ কাৰ্যকৰী সভাপতি ৰশ্মিৰেখা সাউদ কলিতাই। অনুষ্ঠানত লাহোৱাল প্ৰেছক্লাবৰ সহকাৰী সম্পাদক প্ৰাঞ্জল গগৈ, সদস্য উজ্জ্বল শইকীয়া, কুশল দত্ত, দীপিকা বৰুৱা, ফাৰহানা চুলতানা আদি ভালেমান সদস্যৰ লগতে চাবুৱা প্ৰেছক্লাবৰ সম্পাদক বিশ্বজিৎ ফুকন, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ কেই বাগৰাকীও বিষয়ববীয়াৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।




# মাকুম ছ'টা হাপজানত একে ঘৰৰে তিনিজনক দাৰে আক্ৰমণ

**অসম বাৰ্তা, মাকুম, ৮ ডিচেম্বৰ ঃ** মাকুম ছ'টা হাপজান চাহ বাগিছাৰ ৭ নম্বৰৰ লাইনত এক হত্যাকাণ্ডৰ চেষ্টাৰ ঘটনাকলৈ তীব্ৰ চাঞ্চল্যই সৃষ্টি কৰিছে। শনিবাৰে নিশা বাগিছা খনৰ ৭ নম্বৰ লাইনৰ নিবাসী দশৰথ তাঁতী (৬০), পত্নী ৰীণা তাঁতী(৫৪) আৰু বোৱাৰী চিমা তাঁতী ফেকু (৩৫) নামৰ তিনিগৰাকী লোকক কাষৰ লাইন কোৱাৰ্টাৰত বাস কৰা চুতু চাৰাচি (৪৫) নামৰ লোক জনে দাৰে আক্ৰমণ কৰে। আক্ৰমণ কৰাৰ পাছত চুতু চাৰাচিয়ে নিজেই গৈ মাকুম আৰক্ষী থানাত আত্মসমৰ্পণ কৰে। দাৰ ঘাপত গুৰুতৰ ভাৱে আঘাত হোৱা তিনিওকে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয় যদিও অৱস্থা সংকটজনক হোৱাত ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ বুলি প্ৰেৰণ কৰা হয়। অতি গুৰুতৰ ভাৱে আঘাত হোৱা ৰীণা তাঁতীৰ আজি পুৱাৰ ভাগত অসম চিকিৎসা মহাবিদ্যালয়তে মৃত্যু হয়। নিতৌ সৃষ্টি হৈ থকা মানসিক অশান্তিৰ বাবে চুতু চাৰাচিয়ে উক্ত ঘটনাটো সংঘটিত কৰা বুলি আৰক্ষীৰ সন্মুখত স্বীকাৰ কৰে যদিও বাগিছা খনৰ শ্ৰমিক ৰাইজে অঞ্চলটোত চুলাই মদৰ অবাধ প্ৰচলনৰ বাবে এনেকুৱা ধৰণৰ ঘটনা সঘনাই ঘটিবলৈ ধৰিছে বুলি সংবাদ মাধ্যমৰ আগত দাবী কৰে। লগতে চুলাই মদৰ বিৰুদ্ধে অভিযান চলাবলৈ জিলা প্ৰশাসনলৈ আহ্বান জনাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন